সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩১ বছৰ,১০ সংখ্যা, ২৪ ফাগুন , ৰবিবাৰ,১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 10 Date of Publication- 9 March 2025 Rs. 10.00/-


## ছেৰফাংগুৰিত বিজেপিৰ বিশাল যোগদান কাৰ্যসূচী



ৰঙিলী বাৰ্ত্তাসেৱা- আগন্তুক বিটিচিপৰিষদীয় নিৰ্বাচনৰ পূৰ্বে সাংগঠনিক ভেটি মজবুত কৰি তুলিবলৈ ছেৰফাংগুৰিত বিজেপিৰ এক বিশাল যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। বিজেপিৰ বিশাল যোগদান সভাত ছেৰফাংগুৰি অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী মনোৰঞ্জন ব্ৰহ্মই বিপিএফৰ প্ৰাক্তন পাৰিষদ ইন্দ্ৰমোহন ব্ৰহ্ম, প্ৰাক্তন এনডিএফবি নেতা বি বিনাইছাৰ লগতে ৮ সহস্ৰাধিক সমৰ্থকক লগত লৈ আনুষ্ঠানিকভাবে বিজেপিত যোগদান কৰে। যোগদান কাৰ্যসূচীত মন্ত্ৰী অশোক সিংহল উপস্থিত থাকি মনোৰঞ্জন ব্ৰহ্ম আৰু তেওঁৰ লগত অহা আটাইকে বিজেপিৰ দলীয় প্ৰতীক টুপী, ফুলৰ থোপা আৰু আৰনাইৰে আদৰণি জনায়। মন্ত্ৰী সিংহলে দোতমা মণ্ডল বিজেপিৰ বিশাল যোগদান কাৰ্যসূচীত বিজেপিৰ উত্থান দেখি আনন্দিত হোৱা বুলি সদৰী কৰি সমাজকৰ্মী মনোৰঞ্জন ব্ৰহ্মৰ বিজেপি যোগদানে দলটোক অধিক মজবুত কৰিলে বুলি প্ৰকাশ কৰে। তেওঁ মনোৰঞ্জন ব্ৰহ্মক দৰিদ্ৰ জনতাৰ কাষত থিয় দিয়া এজন ভাল সমাজকৰ্মী বুলি মন্তব্য কৰে। এনেক্ষেত্ৰত তেওঁৰ বিজেপিত আগমনে দলৰ শিবিৰত উৎসাহ আৰু মনোবল বৃদ্ধি কৰিলে বুলি দোহাৰে। মন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত কেন্দ্ৰ আৰু ৰাজ্যত উভয়তে বিজেপি দল চৰকাৰ হোৱাৰ বাবে বড়োলেণ্ডত আজি শান্তি স্থাপন কৰাত সফল হোৱা বুলি দাবী কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কয় বিজেপিৰ লক্ষ্য বিটিচি দখল নহয়, বড়োভূমিৰ শান্তি চিৰস্থায়ী কৰাহে। বিটিচিক লৈ বিজেপিৰ কোনো স্বাৰ্থ নাই। একমাত্ৰ বড়োভূমিৰ যি শান্তি তাক বৰ্তাই ৰখাৰহে স্বাৰ্থ আছে বিজেপিৰ। শান্তি যদি চিৰস্থায়ী কৰিব লাগে তাৰ

(দহ পৃষ্ঠাত চাওক)

## মাত্ৰ ২৫% পৰিশোধ কৰিলেই চলাচলৰ অনুপযোগী বাহনৰ পঞ্জীয়ন বাতিল



ৰঙিলী বাৰ্ত্তাসেৱা- ‘অসম যান-বাহন স্ক্ৰেপিং নীতি ২০২২’ৰ একঁকালীন নিষ্পত্তি (One time Settlement) প্ৰক্ৰিয়াত যান-বাহনৰ বকেয়াসহ যাৱতীয় কৰৰ মাত্ৰ ২৫ শতাংশ পৰিশোধ কৰিয়ে পথত চলাচলৰ অনুপযোগী বাহনৰ পঞ্জীয়ন বাতিল কৰিব পাৰিব। অৰ্থাৎ এইক্ষেত্ৰত স্বেচ্ছাই আগবাঢ়ি অহা গৰাকীয়ে বাহনৰ বকেয়াসহ যাৱতীয় কৰৰ ৭৫ শতাংশলৈকে ৰেহাই পাব। যান-বাহন আইন অনুসৰি যিধৰণৰ বাহনেই নহওক লাগিলে আয়ুস কাল শেষ হৈ চলাচলৰ বাবে অক্ষম হোৱাৰ লগে লগে ছিল জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ৰ পঞ্জীয়ন বিভাগত বাহনখনৰ পঞ্জীয়ন বাতিল কৰাটো বাধ্যতামূলক। কিয়নো সঠিকভাবে পঞ্জীয়ন বাতিল নকৰালৈকে চৰকাৰী তথ্য অৰ্থাৎ ‘বাহন পৰ্টেল’ত বাহনখন জীৱন্ত হৈ থাকে আৰু বাহনৰ বিপৰীতে দিবলগীয়া যাৱতীয় কৰ-কাটলসমূহ সময়ৰ

(দহ পৃষ্ঠাত চাওক)

## ডুবাইত আজি চেম্পিয়নছ ট্ৰফীৰ খিতাপৰ ফাইনেল মেচ



ৰঙিলী বাৰ্ত্তাসেৱা- সুদীৰ্ঘ ১২ বছৰৰ পিছত আইচিচি চেম্পিয়নছ ট্ৰফীৰ খিতাপ পুনৰুদ্ধাৰ কৰাৰ বাবে সাজু হৈছে ভাৰত ।মাত্ৰ কেইটামান ক্ষণৰ পাছতে আজি বিয়লি ২-৩০ বজাত ডুবাইত ভাৰত আৰু নিউজিলেণ্ডৰ মাজত ফাইনেল খেল অনুষ্ঠিত হ’ব। এই মেচখনত টীম ইণ্ডিয়াক ফেভাৰিট আখ্যা দিয়া হৈছে যদিও আত্মবিশ্বাসী নিউজিলেণ্ডে ভাৰতৰ সন্মুখত হেঙাৰ হিচাপে থিয় দিয়াৰ পূৰ্ণ সম্ভাৱনা আছে। আইচিচিৰ নক আউট মেচত নিউজিলেণ্ডৰ বিপক্ষে টীম ইণ্ডিয়াৰ ফলাফল বিশেষ সুবিধাজনক নহয়। এতিয়ালৈকে দুয়োটা দলে আইচিচিৰ নক আউট মেচত চাৰিবাৰ মুখামুখি হৈছে আৰু ইয়াৰে তিনিবাৰ - নিউজিলেণ্ডে জয়লাভ কৰাৰ বিপৰীতে ভাৰতে মাত্ৰ এবাৰহে জয়ৰ সোৱাদ লাভ কৰিছে। ২০০০ চনত চেম্পিয়নছ ট্ৰফীৰ ফাইনেলত নিউজিলেণ্ডে ভাৰতক পৰাস্ত কৰাৰ উপৰি ২০১৯ চনৰ এদিনীয়া বিশ্বকাপৰ ছেমিফাইনেল আৰু বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলতো টীম ইণ্ডিয়াক পৰাস্ত কৰিছিল নিউজিলেণ্ডে। অৱশ্যে আজি ফাইনেল মেচখনত কিৱি বাহিনীৰ বিপক্ষে এক বিশেষ ৰণনীতিৰে নামিব ৰোহিতবাহিনী। স্পিনাৰেৰে নিউজিলেণ্ডক বশ কৰাৰ পৰিকল্পনা কৰিছে টীম ইণ্ডিয়াই। ফাইনেল মেচখনত চাৰিগৰাকী স্পিনাৰেৰে অৱতীৰ্ণ হোৱাৰ সম্ভাৱনা আছে ভাৰতীয় দলটোৰে। কুলদীপ যাদৱ, বৰুণ চক্ৰৱৰ্তী, অক্ষৰ পেটেল আৰু ৰবীন্দ্ৰ জাদেজাই ভাৰতীয় দলটোৰ মূল একাদশত স্থান লাভ কৰাৰ অধিক সম্ভাৱনা

(দহ পৃষ্ঠাত চাওক)

## কয়লা ব্যৱসায়ী শুভম জৈনক জে’ললৈ প্ৰেৰণ

ৰঙিলী বাৰ্ত্তাসেৱা- শেহতীয়াকৈ কেন্দ্ৰীয় জিএছটিয়ে অবৈধ কয়লা সৰবৰাহৰ বিৰুদ্ধে চলোৱা অভিযানত গ্ৰেপ্তাৰ কৰা শুভম জৈন নামৰ কয়লা ব্যৱসায়ীজনক চলোৱা মাৰাথন জেৰাৰ অন্তত পোহৰলৈ আহিছে ভয়াৱহ তথ্য। গুৱাহাটীৰ পৰা কয়লা সৰবৰাহত ব্যৱহাৰ কৰা হয় চুবুৰীয়া ৰাজ্য মেঘালয়, অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডত পঞ্জীকৃত ভুৱা ফাৰ্ম। শেহতীয়াকৈ যোৱা বুধবাৰে চিজিএছটি, কৰ আৰু সীমা শুল্ক বিভাগে যুটীয়াভাৱে মহানগৰীৰ বিভিন্ন প্ৰান্তত অভিযান চলায়। ইয়াৰ ভিতৰত বশিষ্ঠৰ কামৰূপ কাঁটাতো দলটোৱে কেইবাঘণ্টা ধৰি অভিযান চলাইছিল। উক্ত অভিযানত কয়লা মাফিয়া শুভম জৈনৰ বহু কেলেংকাৰিযুক্ত তথ্য-পাতি দলটোৱে সংগ্ৰহ কৰে। বিশেষকৈ ভুৱা জি এছ টি চালানেৰে ট্ৰাকে ট্ৰাকে কয়লা বহিঃৰাজ্যলৈ বিভিন্ন সময়ত প্ৰেৰণ কৰাৰ তথ্য দলটোৱে লাভ কৰে। সেইমৰ্মে যোৱা বৃহস্পতিবাৰে দলটোৱে শুভম জৈনক গ্ৰেপ্তাৰ কৰাৰ পিছতেই জৈন



মালিকানাধীন কোম্পানীটোৰ মেনেজাৰ প্ৰবীণ ঝাকো গ্ৰেপ্তাৰ কৰিছিল। চিজিএছটিয়ে বিগত দুদিন ধৰি চলোৱা মাৰাথন

(দহ পৃষ্ঠাত চাওক)

সম্পাদকীয় শিতান... দেৱাশীষ গোস্বামী

# ‘ক্ষমতা’ অহংকাৰ, অপব্যৱহাৰ, পতন ইত্যাদি





‘ক্ষমতা’- তিনিতা মাত্ৰ আখৰেৰে গঠিত এটা শব্দ, পিছে ইমানেই শক্তিশালী যে যি কোনো মুহূৰ্ততে পৃথিৱী তল ওপৰ কৰি দিব পাৰে। ক্ষমতাৰ সঠিক ব্যৱহাৰ মানে সকলো ফালে নদন বদন। বিপৰীতে অপব্যৱহাৰ মানেই অনিয়ম অনাচাৰ মুঠতে অৰাজক এক পৰিস্থিতি চাৰিওফালে। অপৈনত, অযোগ্য জনৰ হাতত যেতিয়া ক্ষমতা অৰ্পন কৰা হয়, ঠিক সেই সময়তে পতনে নিশ্চয়তা লাভ কৰে। একুৰা জুই নুমোৱাৰ আগতে যেনেদৰে দপদপকৈ জ্বলে, ক্ষমতাৰ অপব্যৱহাৰেও সেই জুইকুৰাৰ দৰেই এক ভবিষ্যতৰ ইংগিত বহন কৰে।

ইতিহাস সাক্ষী আছে, ক্ষমতাৰ অপব্যবহাৰৰ ফলাফল কোনো কাৰণতে দীৰ্ঘস্থায়ী, চিৰস্থায়ী নহয়। অযোগ্যজনে ক্ষমতাৰ ভৰ সহিব নোৱাৰি নকৰিবলগীয়া কৰে, নকব লগীয়া কয়, ফলাফল ঋনাত্মাক চৌদিশে। ক্ষমতাই যেতিয়া মূৰত ধৰে, তাৰ প্ৰতিফলন কোনো এজন ব্যক্তিৰ চাৰিত্ৰীক পৰিবৰ্তন, চাল চলন, ভাৱ ভংগীমাৰ কথা বতৰাত স্পষ্টকৈ ফুটি উঠে।

ক্ষমতাৰে বলীয়ান ব্যক্তি এখন সুস্থ সমাজৰ বাবে খুবেই ভয়ংকৰ। ক্ষমতাই মূৰত ধৰা ব্যক্তিক সঠিক পথলৈ ঘূৰাই অনা প্ৰায় অসম্ভৱ। ক্ষমতা আন একো নহয়, একো একোটা পদবীৰ অন্তৰ্নিহিত শক্তি।

এখন দেশ নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে জনসাধাৰনে নিৰ্বাচিত কৰি দিয়া কিছুসংখ্যক নিৰ্দিষ্ট পদবীধাৰী ব্যক্তিৰ হাতত শাসনৰ বাঘজৰী ডাল ন্যস্ত কৰা থাকে। একো একোখন ঘৰ পৰিচালিত হয় মুখিয়াল পদবীধাৰী ব্যক্তিজনৰ তত্ত্বাৱধানত। ঠিক সেইদৰে প্ৰত্যেক চৰকাৰী, বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠান সমূহো পৰিচালিত হয় কিছু বিশেষ পদবীধাৰী ব্যক্তিৰ পৰিচালনাত, তত্ত্বাৱধানত যোগ্য পদবীধাৰী ব্যক্তিৰ পৰিচালনা ফল সৰ্বাঙ্গীন উন্নতি। অপৈনত, অযোগ্য পদবীধাৰী ব্যক্তিৰ হাতত ন্যস্ত ক্ষমতাৰ বিৰূপ ফলাফল নিৰ্ঘাত তথা পতন অৱশ্যম্ভাবী।

‘No second thought’

‘বিনাশ কালে বিপৰীত বুদ্ধি’

# ব্ৰহ্মপুত্ৰৰ মাজত কৃষিকৰ্ম কৰা কৃষকলৈ বিদ্যুৎ সংযোগ-ভাসমান দলঙৰ আধাৰশিলা স্থাপন মুখ্যমন্ত্ৰীৰ

ৰঙিলী বাৰ্ত্তাসেৱা- নৱগঠিত জালুকবাৰী সমষ্টিত সূচনা হয় এটি নতুন যুগৰ। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ধাৰাপুৰ মজলিৰ পৰা ৰাণী চাপৰিলৈ ব্ৰহ্মপুত্ৰৰ ওপৰেৰে এখন ভাসমান দলং নিৰ্মাণৰ আনুষ্ঠানিকভাৱে আধাৰশিলা স্থাপন কৰে। উল্লেখ্য যে ভোগালী বিহুৰ দিনা অৰ্থাৎ ১৪ জানুৱাৰীত প্ৰথমবাৰৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাণী চাপৰিত উপস্থিত হৈ প্ৰায় দুঘণ্টা ধৰি কৃষিক্ষেত্ৰ পৰিদৰ্শন কৰাৰ লগতে কৃষিকৰ্ম কৰি জীৱিকা নিৰ্বাহ কৰি অহা চাৰি শতাধিক



থলুৱা কৃষকৰ সমস্যাৰ বুজ লৈ মত বিনিময় কৰিছিল। আৰু শুক্ৰবাৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই ব্ৰহ্মপুত্ৰৰ ধাৰাপুৰ ধোপৰতল ঘাটত উপস্থিত হৈ মজলিৰ পৰা ৰাণী চাপৰিলৈ ২৫০ মিটাৰ দৈৰ্ঘ্য আৰু তিনি মিটাৰ প্ৰস্থৰ এখন ভাসমান দলঙৰ আধাৰশিলা আনুষ্ঠানিকভাবে স্থাপন কৰি ৰাজহুৱা সভাত কয়- ৰাণী চাপৰিৰ কৃষিজীৱী গঞাৰ সুবিধাৰ হকে বিশেষকৈ খৰালিৰ সময়ত কৃষিজাত সামগ্ৰী কঢ়িয়াই অনা-নিয়াৰ বাবে দুই-তিনি টন ওজন ক্ষমতাসম্পন্ন এখন ভাসমান দলং আগন্তুক চল্লিশ দিনৰ ভিতৰত নিৰ্মাণ কৰা হ’ব। আনহাতে, যদিহে কৃষিজীৱী গঞাই বিচাৰে, তেন্তে কিছু নিলগত আন এখন ভাসমান দলং নিৰ্মাণৰ ব্যবস্থা কৰা হ’ব, যাতে দুই মূৰৰ পৰা কৃষিজীৱী গঞা অহা-যোৱা কৰিব পাৰে। বাৰিষাৰ সময়ত পানীৰ সোঁত প্ৰতি ছেকেণ্ডত তিনি মিটাৰ থাকিলে দলংখন খুলি থোৱা হ’ব। বছৰৰ আঠ মাহ দলংখন কাৰ্যক্ষম হৈ থাকিব। দলংখনেৰে দুই তথা তিনিচকীয়া বাহনহে চলাচল কৰিব পাৰিব। সুৰক্ষাজনিত কাৰণত দলংখনৰ দুই দাঁতিত ৰেলিং থাকিব। দলংখনৰ দুই মূৰত উঠা-নমাৰ সুবিধাৰ বাবে দুটা জেটি থাকিব। দলংখন নিৰ্মাণৰ বাবে ডেৰ-দুই কোটি টকা খৰচ হ’ব। তদুপৰি ৰাণী চাপৰিলৈ বিদ্যুৎ সংযোগ ব্যৱস্থাৰ বাবে উচ্চ ক্ষমতাসম্পন্ন বিদ্যুৎ পৰিবাহী তাঁৰ সংযোজিত কৰা হ’ব। ইয়াৰ পিছত নিম্ন ক্ষমতা সম্পন্ন বিদ্যুৎ পৰিবাহী তাঁৰেৰে ৰাণী চাপৰিত বিদ্যুৎ সংযোগৰ ব্যৱস্থা কৰা হ’ব। ইয়াত পাঁচটা ৬৩ কেভি আৰু পাঁচটা ২৫ কেভিৰ ট্ৰাঞ্চফৰ্মাৰ হ’ব। বিদ্যুৎ সংযোগ ব্যবস্থাৰ বাবে মুঠ ৬ কোটি ৫৪ লাখ টকা ব্যয় কৰা হ’ব। আগন্তুক দুই মাহৰ ভিতৰত এই আঁচনিখনে চৰমাজুলী আৰু চৰনেহালি দুয়োখনক গাঁৱকে সামৰি ল’ব। আনহাতে, ৰাণী চাপৰিত সুদীৰ্ঘ কালৰ পৰা খেতি-বাতি কৰি অহা কৃষিজীৱী গঞাক আগন্তুক দুৰ্গাপূজাৰ আগতে মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰা হ’ব। উক্ত অনুষ্ঠিত আধাৰশিলা স্থাপন অনুষ্ঠানত ৰাজ্য চৰকাৰৰ শক্তি, দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন, এ পি ডি চি এলৰ পৰিচালন সঞ্চালক ৰাকেশ কুমাৰ, লোকনিৰ্মাণ বিভাগৰ আযুক্ত সচিব চন্দন শৰ্মা, কামৰূপ মহানগৰ জিলাৰ জিলা আযুক্ত সুমিত সত্তাৱন আৰু বিজেপিৰ গুৱাহাটী মহানগৰ জিলাৰ সভাপতি তপন চন্দ্ৰ দাস উপস্থিত থাকে।

# ৰঙালী বিহুৰ মাজতে ৰাজ্যত অনুষ্ঠিত হ’ব পঞ্চায়ত নিৰ্বাচনঃমুখ্যমন্ত্ৰী

ৰঙিলী বাৰ্ত্তাসেৱা- ৰঙালী বিহুৰ মাজতেই অনুষ্ঠিত হ’ব পঞ্চায়ত নিৰ্বাচন। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা ঘোষণা কৰে। পঞ্চায়তৰ সমষ্টি নিৰ্ধাৰণক কেন্দ্ৰ কৰি সৃষ্টি হোৱা আইনী সমস্যাৰ পাছত স্থগিত হৈছিল নিৰ্বাচন। সমান্তৰালভাৱে অনুষ্ঠিত হোৱা মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ বাবে পঞ্চায়ত নিৰ্বাচন অনিৰ্দিষ্ট দিনলৈ পিছুৱাই গৈছিল। মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰা অনুসৰি অহা ২৯ মাৰ্চত উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ চূড়ান্ত পৰীক্ষা সমাপ্ত হ’ব। এই পৰীক্ষা সমাপ্ত হোৱাৰ পাছত যিকোনো দিনত পঞ্চায়ত নিৰ্বাচন আয়োগে অনুষ্ঠিত কৰিব। ২৯ মাৰ্চৰ পাছত যদি ৰাজ্যিক নিৰ্বাচন আয়োগে পঞ্চায়তৰ দিন ঘোষণা কৰে তেন্তে ৰঙালী বিহুৰ মাজতে পঞ্চায়ত নিৰ্বাচনৰ কাৰ্যকলাপ চলি থাকিব। আনহাতে বিজেপিয়ে পঞ্চায়ত নিৰ্বাচনত কিধৰণে আগবাঢ়িব সেয়া ৰাজ্যিক বিজেপিয়ে থিৰাং কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

# Siliguri Chapter of ICSI Celebrates International Women’s Day with Seminar on “Narishakti”



Guwahati, RB News- The Siliguri Chapter of the EIRC of The Institute of Company Secretaries of India (ICSI) successfully organized a half-day seminar titled “Narishakti” at the Siliguri Chapter premises, in celebration of International Women’s Day. The event featured insightful sessions by eminent professionals and was attended by members and students. The seminar commenced with a formal welcome address by CS (Dr.) Pintu Prasad Jaiswal, Chairman of the Siliguri Chapter of ICSI. He highlighted the importance of the topics ‘Advance Tax & TDS’ and ‘SEBI LODR Amendments’ and shared updates on the initiatives, including efforts to include Company Secretaries in the definition of Accountants under the Income Tax Bill 2025. CS Pallavi Bhagat, a Practicing Company Secretary, presented a detailed session on SEBI LODR Amendments. CA Kirti Singhal, a Practicing Chartered Accountant, delivered an in-depth presentation on Advance Tax & TDS. Dr. Minakshi Chakraborty, Principal of Kalipada Ghosh Tarai Mahavidyalaya and Chief Guest of the event, delivered an inspiring address on the pivotal role played by women in society, the workplace, and nation-building. CS Rupanjana De, Central Council Member of ICSI and CS Anuj Saraswat, Chairman of EIRC of ICSI, delivered special addresses online, emphasizing the pivotal role of women in society and the workplace. The seminar concluded with a cake-cutting ceremony to celebrate International Women’s Day, followed by a formal vote of thanks by CS Amit Kumar Goyal, Secretary of the Siliguri Chapter. The event was skillfully coordinated by Ms. Krishika Surana, a CS Professional student. CS Ashleen Saluja and CS Vikash Mittal, Managing Committee members were also present in the event.

# জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্পস্থলীক ৰটন টাটা নামেৰে নামকৰণৰ সিদ্ধান্ত গ্ৰহণ



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত লোকসেৱা ভৱনত অনুষ্ঠিত ৰাজ্যিক কেবিনেটে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিলে। কেবিনেটৰ সিদ্ধান্তৰ সবিশেষ অৱগত কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে কেবিনেটে এতিয়াৰে পৰাই জধেমধে ব্যক্তিগত বিশ্ববিদ্যালয় স্থাপনৰ ক্ষেত্ৰত এলানি গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। বিশেষকৈ ইউএছটিএমকে ধৰি একাংশ বিশ্ববিদ্যালয়ক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিতৰ্কৰ বাবে ৰাজ্য চৰকাৰে ব্যক্তিগত বিশ্ববিদ্যালয় স্থাপনৰ ক্ষেত্ৰত কিছু কঠোৰ নীতি-নিয়ম প্ৰণয়ন কৰিছে। সেই অনুসৰি এতিয়াৰে পৰা জধেমধে অসমত স্থাপন কৰিব নোৱাৰিব ব্যক্তিগত বিশ্ববিদ্যালয়। যদি কোনো প্ৰতিষ্ঠানে অথবা কোনো লোকে ব্যক্তিগত খণ্ডৰ বিশ্ববিদ্যালয় স্থাপন কৰিব বিচাৰে, তেন্তে পোনপ্ৰথমে ৰাষ্ট্ৰীয় সুৰক্ষাৰ প্ৰমাণপত্ৰ লাগিব। গৃহ আৰু ৰাজনৈতিক বিভাগে সুৰক্ষা বিষয়ৰ ক্ষেত্ৰত প্ৰমাণপত্ৰ দিয়াৰ পিছতহে অসমত কোনো ব্যক্তিয়ে ব্যক্তিগত খণ্ডৰ বিশ্ববিদ্যালয় স্থাপন কৰিব পাৰিব। তদুপৰি ব্যক্তিগত বিশ্ববিদ্যালয় স্থাপন কৰিব খোজা ব্যক্তিজন সম্পূৰ্ণ ধৰ্মনিৰপেক্ষ হ'ব লাগিব। একেদৰে ধৰ্মান্তৰকৰণ আদি বিষয়ৰ ক্ষেত্ৰত তেওঁ জড়িত হ'ব নোৱাৰিব। এতিয়াৰে পৰা বিশ্ববিদ্যালয় স্থাপনৰ ক্ষেত্ৰত একমাত্ৰ বৃহৎ অট্টালিকা (দহ পৃষ্ঠাত চাওক)

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুকলি কৰিলে 'বনতাৰা'




ৰঙিলী বাৰ্ত্তাসেৱা- অৱশেষত মুকলি কৰা হ'ল অনন্ত আম্বানীৰ সপোনৰ প্ৰকল্প 'বনতাৰা'। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুজৰাটত বন্যপ্ৰাণী উদ্ধাৰ আৰু সংৰক্ষণ কেন্দ্ৰ বনতাৰাৰ উদ্বোধন কৰে। 'বনতাৰা' উদ্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'বনতাৰা'খন পৰিদৰ্শনো কৰে। বনতাৰা ভ্ৰমণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰীয়ে সিংহ, বাঘ, জিৰাফ, হাতী, কপৌকে ধৰি বহু জীৱ-জন্তুৰ সৈতে সময় কটায়। এটা বিশাল পাইথন, এটা দুমুখীয়া সাপ, এটা দুমুখীয়া কাছ, উদ্ধাৰ কৰা নাহৰফুটুকী পোৱালি, বিশাল উট, ছীল আদি জন্তু পৰিদৰ্শন কৰে মোদীয়ে। কেৱল ইমানেই নহয়, সিংহৰ পোৱালীক গাখীৰ খুৱাই দিয়াৰ লগতে অসম গৌৰৱ এশিঙীয়া গঁড়ৰ সৈতেও এক্ষন্তেক (নপৃষ্ঠাত চাওক)

# দিল্লীত দেশৰ ২৪ খন ৰাজ্যৰ পৰা অহা গ্ৰাহকৰ উপস্থিতিত জাতীয় অভিৱৰ্তন




ৰঙিলী বাৰ্ত্তাসেৱা- বিদ্যুতৰ বেচৰকাৰীকৰণ, জোৰ কৰি জনবিৰোধী প্ৰিপেইড স্মাৰ্ট মিটাৰ স্থাপন আৰু কৰ্পৰেট গোষ্ঠীৰ স্বাৰ্থত বিদ্যুৎ সংশোধনী বিলক আইনত পৰিণত কৰাৰ চৰকাৰৰ নিৰন্তৰ চক্ৰান্তৰ বিৰুদ্ধে অল ইণ্ডিয়া ইলেক্ট্ৰিচিটি কনজিউমাৰ্চ এছচিয়েছনৰ উদ্যোগত দিল্লীৰ শ্বাহ অডিটোৰিয়ামত দেশৰ ২৪ খন ৰাজ্যৰ পৰা অহা সহস্ৰাধিক বিদ্যুৎ গ্ৰাহকৰ উপস্থিতিত এক গুৰুত্বপূৰ্ণ জাতীয় অভিৱৰ্তন অনুষ্ঠিত হয়। সংগঠনৰ সৰ্বভাৰতীয় সভাপতি স্বপন ঘোষৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই অভিৱৰ্তন উদ্বোধন কৰে অল ইণ্ডিয়া পাৱাৰ ইঞ্জিনীয়াৰ ফেডাৰেচনৰ অধ্যক্ষ শৈলেন্দ্ৰ নাথ দুবেই। তেওঁ কয়, দেশৰ কোটি কোটি গ্ৰাহক, কৃষক আৰু লাখ লাখ বিদ্যুৎ কৰ্মচাৰীৰ স্বাৰ্থক সম্পূৰ্ণ জলাঞ্জলি দি একমাত্ৰ কৰ্পৰেট গোষ্ঠীৰ মুনাফাৰ স্বাৰ্থত সমগ্ৰ বিদ্যুৎ খণ্ডক বেচৰকাৰী মালিকৰ হাতত তুলি দিবলৈ (নপৃষ্ঠাত চাওক)

# ৰাজ্যত পুনৰ ভূমিকম্পৰ জোকাৰণি



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যত পুনৰ ভূমিকম্পৰ জোকাৰণি অনুভৱ কৰা হৈছে। বুধবাৰে পুৱা ১১.০৬বজাত পুনৰ অসমৰ লগতে উত্তৰ-পূৰ্বক জোকাঁৰি যায় ভূমিকম্পই। ৰিখটাৰ স্কেলত এই ভূমিকম্পৰ প্ৰাবল্য ৫.৬বুলি জানিব পৰা গৈছে। ভাৰত আৰু ম্যানমাৰত এই ভূমিকম্পৰ কম্পন অনুভৱ কৰা হৈছে। এই (নপৃষ্ঠাত চাওক)

# গুৱাহাটীৰ জাবৰ নিষ্কাশনৰ লগতে উন্মুক্ত নলা পুনৰ নিৰ্মাণৰ দাবী আপৰ



ৰঙিলী বাৰ্ত্তাসেৱা- বাৰিষাৰ পূৰ্বেই গুৱাহাটী মহানগৰীৰ নলা-নৰ্দমা পুনৰ নিৰ্মাণ আৰু উন্মুক্ত মেনহ'ল সমূহৰ ক্ষেত্ৰত যথোপযুক্ত ব্যৱস্থা গ্ৰহণৰ লগতে জাবৰ নিষ্কাশনৰ সুব্যৱস্থা কৰিবলৈ মেয়ৰ মৃগেন শৰণীয়াক স্মাৰক পত্ৰ প্ৰদান কৰিলে আম আদমী পাৰ্টিৰ ৰাজ্যিক কমিটীয়ে। উজানবজাৰস্থিত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰৰ কাৰ্যালয়ত আপৰ ৰাজ্যিক উপ সভাপতি অনুৰূপা ডেকাৰজাৰ নেতৃত্বত যোৱা এটা সজাতি দলে মহানগৰবাসীৰ এই জ্বলন্ত সমস্যা সমূহৰ সমাধানৰ অৰ্থে স্মাৰক পত্ৰ প্ৰদান কৰে। আপৰ ৰাজ্যিক নেতৃবৃন্দই প্ৰদান কৰা স্মাৰক পত্ৰত উল্লেখ কৰে যে গুৱাহাটীৰ বহু অঞ্চলৰ পদপথ সমূহ জৰাজীৰ্ণ আৰু উন্মুক্ত নলাই পথচাৰীক সকলো সময়তে বিপদত পেলাই আহিছে। এতিয়া বাৰিষাৰ আগমনৰ সময়, বাৰিষা আহিলেই কৃত্ৰিম বানৰ ফলত মহানগৰীৰৰ ৰাজপথতেই নদী সদৃশ পৰিৱেশ সৃষ্টি হোৱাতো বহু পুৰণি সমস্যা। গুৱাহাটী পৌৰ নিগমে মাজে-সময়ে নলা-নৰ্দমা সমূহ চাফা কৰিছে ঠিকেই, কিন্তু মেৰামতিৰ অভাৱত কাহিলিপাৰা, গণেশগুৰি, চানমাৰি, ৰাজগড়, মালিগাঁও আদি বহু ঠাইত নলাৰ ওপৰৰ পদপথত সৃষ্টি হৈছে বৃহৎ বৃহৎ মেনহ'ল। স্বয়ংসৃষ্ট এই মেনহ'লসমূহ (নপৃষ্ঠাত চাওক)

# মহানগৰীৰ ল'জৰ কোঠাত যুৱকৰ মৃতদেহ উদ্ধাৰ

ৰঙিলী বাৰ্ত্তাসেৱা- পুনৰ মহানগৰীত চাঞ্চল্যকৰ ঘটনা। মহানগৰীৰ ছয়মাইলত ল'জৰ কোঠাত যুৱকৰ মৃতদেহ উদ্ধাৰ। ছয়মাইলৰ ব্ৰহ্মপুত্ৰ ল'জৰ তৃতীয় মহলাৰ ৩০৫নং কোঠাত উদ্ধাৰ হৈ মৃতদেহটো। জানিব পৰা মতে, মঙলবাৰে সন্ধিয়া ৬.৫৬ বজাত যুৱকজনে লৈছিল কোঠাটো। তাৰ পাছত মাজনিশা চিপ লোৱা অৱস্থাত উদ্ধাৰ যুৱকজনৰ মৃতদেহ। মৃত যুৱকজনক চানমাৰিৰ মৃণাল মেধি বুলি জানিব পৰা গৈছে। সূত্ৰ অনুসৰি, নিশা ১২ বজাত হোটেলৰ কৰ্মচাৰীলৈ ফোন আহিছিল মৃণাল মেধিৰ প্ৰেমিকাৰ। মৃণাল মেধিয়ে বহু সময় ধৰি ফোন ৰিচিভ কৰা নাই বুলি জনাইছিল প্ৰেমিকাই। মৃণাল মেধিৰ প্ৰেমিকৰ ফোন লাভ কৰিয়েই লগে লগে যুৱকজনৰ কোঠাত উপস্থিত হয় হোটেলৰ কৰ্মচাৰী। কোঠাৰ দৰ্জা খোলাৰ পিছতে চিপ লোৱা অৱস্থাত উদ্ধাৰ হয় মৃণালৰ মৃতদেহ। যুৱকজনৰ আত্মহননৰ ঘটনাক লৈ সৃষ্টি হৈছে ৰহস্য। ঘটনাৰ পাছতে আৰক্ষীক খবৰ দিয়ে কতৃপক্ষই। নিশাই দিছপুৰ আৰক্ষী উপস্থিত হৈ চলাইছে ঘটনাৰ তদন্ত। প্ৰেমজনিত কাৰণতে যুৱকজনে আত্মহনন কৰাৰ সন্দেহ আৰক্ষীৰ।

# অৱসৰৰ সিদ্ধান্ত সলনি সুনীল চেত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অৱসৰ ঘোষণা কৰাৰ পিছত ক্ৰীড়াক্ষেত্ৰত পুনৰ প্ৰত্যাৱৰ্তনৰ বহু উদাহৰণ আছে। ইয়াৰ মাজতে ভাৰতীয় কিংবদন্তি ফুটবলাৰৰ প্ৰত্যাৱৰ্তনে আনন্দিত কৰিছে অনুৰাগীক। ভাৰতৰ সৰ্বশ্ৰেষ্ঠ ফুটবল খেলুৱৈ তথা ভাৰতীয় ফুটবল দলৰ প্ৰাক্তন অধিনায়ক সুনীল চেত্ৰীয়ে অৱসৰৰ পৰা উভতি অহাৰ কথা ঘোষণা কৰিছে। ভাৰতীয় ফুটবল সন্থাই বৃহস্পতিবাৰে এই কথা ঘোষণা কৰি কয় যে মাৰ্চত অনুষ্ঠিত হ'বলগীয়া খেলৰ বাবে খেলপথাৰলৈ ঘূৰি আহিব সুনীল চেত্ৰী। সুনীল চেত্ৰীয়ে যোৱা বছৰত আন্তঃৰাষ্ট্ৰীয় ফুটবলৰ পৰা অৱসৰ ( নপৃষ্ঠাত চাওক)

# মুহূৰ্ততে শেষ ভাৰত-নিউজিলেণ্ডৰ ফাইনেলৰ টিকট



ৰঙিলী বাৰ্ত্তাসেৱা- দেওবাৰে আই চি চি চেম্পিয়নছ ট্ৰফী ২০২৫ ৰ ফাইনেলত মুখামুখি হ'ব ভাৰত আৰু নিউজিলেণ্ড । ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া এই মেচখনৰ বাবে দুয়োটা দলৰে প্ৰস্তুতি পূৰ্ণগতিত চলি আছে । আনহাতে, এইখন মেচৰ বাবে দুয়োখন দেশৰ অনুৰাগীৰ মাজত বৃদ্ধি পাইছে উৎকণ্ঠা । মুকলিৰ প্ৰায় ৪০ মিনিটৰ ভিতৰতে ফাইনেল মেচখনৰ সকলো টিকট বিক্ৰী হৈছে। প্ৰায় ২৫ হাজাৰ লোকৰ আসনৰ ক্ষমতা থকা ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত সম্প্ৰতি খালী নাই এখনো আসন। কাৰণ অনুৰাগীসকলে মেচখনৰ বাবে মুকলি কৰা ২৫ হাজাৰ টিকটৰ আটাইবোৰেই ক্ৰয় কৰিছে। ফাইনেলৰ টিকটৰ মূল্য সাধাৰণ শ্ৰেণীৰ বাবে ২৫০ ডিৰহাম (ভাৰতীয় মূল্য ৬, ০০০ টকা)ৰ পৰা আৰম্ভ কৰি স্কাই বক্সৰ একচেটিয়া আতিথ্যৰ বাবে ১২, ০০০ ডিৰহাম (ভাৰতীয় মূল্য ২, ৮৩, ৮৭১ টকা) লৈকে নিৰ্ধাৰণ কৰা হৈছিল। অনুৰাগীয়ে ২ লাখ ৮৩ হাজাৰ ৮৭১ টকা পৰিশোধ কৰি ষ্টেডিয়ামৰ পৰা এই মেচখন উপভোগ কৰিবলৈ সৰ্বাধিক দামী টিকটটো ক্ৰয় কৰিছে।

# এদিনীয়া ক্ৰিকেটৰ পৰা অৱসৰ ষ্টিভ স্মিথৰ




ৰঙিলী বাৰ্ত্তাসেৱা- চলিত আইচিচি চেম্পিয়নছ ট্ৰফীৰ ছেমিফাইনেলত টীম ইণ্ডিয়াৰ হাতত পৰাস্ত হোৱাৰ পিছতে এদিনীয়া ক্ৰিকেটৰ পৰা অৱসৰ ঘোষণা কৰিলে অষ্ট্ৰেলিয়াৰ তাৰকা বেটাৰ অধিনায়ক ষ্টিভ স্মিথে। মঙলবাৰে ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত টীম ইণ্ডিয়াৰ বিপক্ষে ৪ উইকেটত পৰাজিত হোৱাৰ পিছতে চেম্পিয়নছ ট্ৰফীৰ পৰা বাহিৰ হয় অষ্ট্ৰেলিয়া। খেলখনত স্মিথে ৯৬টা বলত ৭৩ ৰানৰ এক আকৰ্ষণীয় ইনিংছ খেলিছিল। যাৰ বাবে অষ্ট্ৰেলিয়াই ভাৰতৰ সন্মুখত ২৬৫ ৰানৰ লক্ষ্য ৰাখিবলৈ সক্ষম হৈছিল। অৱশ্যে ভাৰতে ৰৰটা বল বাকী থকা অৱস্থাতে ( নপৃষ্ঠাত চাওক)

# দক্ষিণ আফ্ৰিকাক পৰাস্ত কৰি চেম্পিয়নছ ট্ৰফীৰ ফাইনেলত নিউজিলেণ্ড




ৰঙিলী বাৰ্ত্তাসেৱা- চেম্পিয়নছ ট্ৰফী ২০২৫ৰ দ্বিতীয়খন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাক পৰাস্ত কৰি নিউজীলেণ্ডে ফাইনেলত প্ৰৱেশ কৰে । লাহোৰৰ গাদ্দাফি ষ্টেডিয়ামত অনুষ্ঠিত দ্বিতীয়খন ছেমিফাইনেলত নিউজিলেণ্ডে দক্ষিণ আফ্ৰিকাক ৫০ ৰানত পৰাস্ত কৰে। এই মেচখনত কিৱি দলটোৱে টছত জয়লাভ কৰি প্ৰথমে বেটিং কৰি দক্ষিণ আফ্ৰিকাৰ জয়ৰ বাবে ৩৬৩ ৰাণৰ বিশাল লক্ষ্য নিৰ্ধাৰণ কৰে । নিউজিলেণ্ডে জয়ৰ বাবে বান্ধি দিয়া ৩৬৩ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি ডেভিদ মিলাৰৰ বিস্ফোৰক অপৰাজিত শতকৰ সত্বেও দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰিত ৫০ অভাৰত ৯টা উইকেট হেৰুৱাই ৩১২ ৰান সংগ্ৰহ কৰে। মিলাৰে ৬৭টা বলত ১০টা চাৰি আৰু ৪টা ছয়েৰে ১০০ ৰান কৰি অপৰাজিত হৈ থাকে। মিলাৰৰ উপৰি ৰাছি ভান ডাৰ ডুছেনে ৬৯, অধিনায়ক টেম্বা বাভুমাই ৫৬ আৰু এইডেন মাৰ্কৰামে ৩১ ৰানৰ অৱদান আগবঢ়ায়। অপেনাৰ ৰিয়ান ৰিকেলটনে ১৭, হেনৰিচ ক্লাছেনে ৩ আৰু মুডলাৰে মাত্ৰ ৮ ৰানৰ অৱদানহে আগবঢ়ায়। নিউজিলেণ্ডৰ হৈ ( নপৃষ্ঠাত চাওক)

# অষ্ট্ৰেলিয়াক পৰাস্ত কৰি চেম্পিয়নছ ট্ৰফীৰ ফাইনেলত ভাৰত




ৰঙিলী বাৰ্ত্তাসেৱা- অৱশেষত আইচিচিৰ নকআউট মেচত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে থকা ব্যৰ্থতাৰ ধাৰা ভংগ কৰিলে টীম ইণ্ডিয়াই। চলিত চেম্পিয়নছ ট্ৰফীৰ ডুবাইত অনুষ্ঠিত প্ৰথমখন ছেমিফাইনেলত অষ্ট্ৰেলিয়াক ৪ উইকেটত পৰাস্ত কৰি ভাৰতীয় ক্ৰিকেট দলে চেম্পিয়নছ ট্ৰফীৰ ফাইনেলত প্ৰৱেশ কৰে । টিম ইণ্ডিয়াৰ জয়ৰ ক্ষেত্ৰত মহম্মদ ছামী আৰু বিৰাট কোহলিয়ে বলিষ্ঠ প্ৰদৰ্শনেৰে সৰ্বাধিক ভূমিকা পালন কৰিছিল। মেচখনত কেংগাৰু বাহিনীয়ে জয়ৰ বাবে বান্ধি দিয়া ২৬৫ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি প্ৰাৰম্ভিক বিপৰ্যয় সত্বেও কোহলিৰ ৮৪ ৰানৰ লগতে শ্ৰেয়াছ আয়াৰৰ ৪৫ আৰু লোকেশ ৰাহুলৰ অপৰাজিত ৪২ ৰানৰ সহায়ত টীম ইণ্ডিয়া ৪৮.১ অভাৰত ৬টা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। হাৰ্দিক পাণ্ডিয়াই ২৪টা বলত এটা চাৰি আৰু তিনিটা ছয়েৰে ২৮ ৰান কৰি দলৰ জয়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অক্ষৰ পেটেলে ২৭ ৰানৰ অৰিহণা আগবঢ়ায়। ইনিংছৰ আৰম্ভণি সুখকৰ নাছিল ভাৰতীয় দলটোৰ। দলীয় স্ক'ৰ ৪৩ ৰানত অ'পেনাৰদ্বয় শুভমন গিল আৰু ৰোহিত শৰ্মাই বিদায় লয়। গিলে ৮ ৰান আৰু অধিনায়ক ৰোহিতে ২৯টা ( নপৃষ্ঠাত চাওক)

# চেন্নাইন এফচিক ৩-০ গ'লত পৰাস্ত কৰি প্লে-অফত নৰ্থ-ইষ্ট ইউনাইটেড এফচি



ৰঙিলী বাৰ্ত্তাসেৱা- নৰ্থ-ইষ্ট ইউনাইটেড এফচিয়ে চলিত ইণ্ডিয়ান ছুপাৰ লীগৰ প্লে-ফত স্থান নিশ্চিত কৰিছে। চেন্নাইৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত গুৰুত্বপূৰ্ণ মেচখনত প্ৰাক্তন চেম্পিয়ন চেন্নাইন এফচিক ৩-০ গ'লত পৰাস্ত কৰি প্লে-অফত স্থান নিশ্চিত কৰে নৰ্থ-ইষ্টে। উল্লেখ্য যে ২৩খন মেচ খেলি ৩৫ পইন্ট লাভ কৰা নৰ্থ-ইষ্ট ইউনাইটেডে ৮ মাৰ্চত শ্বিলঙত ইষ্ট বেংগল এফচিৰ বিৰুদ্ধে নিজৰ অন্তিম লীগৰ মেচখন খেলিব যদিও সেয়া দলটোৰ বাবে কাৰ্যতঃ গুৰুত্বহীন হৈ পৰিল। নৰ্থ-ইষ্ট ইউনাইটেডৰ যোগ্যতাৰ লগে লগে পাঁচটা দলে চলিত আইএছএলৰ প্লে-অফত প্ৰৱেশ কৰিলে। মেৰিনাৰ পাৰত চমকপ্ৰদ খেলেৰে চেন্নাইন দলক বিধ্বস্ত কৰি লক্ষ্যত উপনীত হয় নৰ্থ-ইষ্ট ইউনাইটেড। খেলখনৰ প্ৰথমাৰ্ধতে দলটোৱে ৩টাকৈ গ'ল দি অনুৰাগীক চাপ-উৎকণ্ঠাৰ পৰা মুক্ত কৰি আনন্দ কৰাৰ সুযোগ দিয়ে। খেলৰ সাত মিনিটতে আজাৰাহৰ সহায়ত নেষ্টৰে গ'ল দি নৰ্থ-ইষ্ট ইউনাইটেডক প্ৰথমে অগ্ৰগতি দিয়ে। ২৬ মিনিটত নৰ্থ-ইষ্ট ইউনাইটেডৰ অগ্ৰগতি ২-০লৈ বৃদ্ধি কৰে যিথিনে। এই গ'লটোত সহযোগ কৰে আজাৰায়ে। আনহাতে, মৰক্কোৰ ষ্ট্ৰাইকাৰজনে খেলৰ ৩৮ মিনিটত নিজে গ'ল দি নৰ্থ-ইষ্টক ৩-০ৰ অগ্ৰগতি দি অনুৰাগীৰ আশা পূৰ্ণ কৰে।

# স্বাধীন দেশৰ নাৰী সকল প্ৰকৃততে স্বাধীন নে?



**অনামিকা (সংগীতা) কলিতা, শুৱালকুছি**


১৯০৮ চনত নিউয়ৰ্ক চহৰত সামাজিক গণতান্ত্ৰিক নাৰী সংগঠনে আয়োজিত কৰা নাৰী সমাবেশত জাৰ্মান সমাজতান্ত্ৰিক নেত্ৰী ক্লাৰা জেটলিনৰ নেতৃত্বত সৰ্বপ্ৰথম আন্তৰ্জাতিক নাৰী সন্মিলন অনুস্থিত কৰা হৈছিল। ১৯১০চনত দ্বিতীয় বাৰো অনুষ্ঠিত হয় সেইবাৰ প্ৰতি বছৰে ৮মাৰ্চ নাৰী দিৱস হিচাপে অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ লোৱাৰ পিছত গোটেই বিশ্বতে ৮ মাৰ্চতে পালন কৰি আহিছে। নাৰী দিৱসে পালন কৰিলেও প্ৰকৃত অৰ্থত স্বাধীনতা পোৱা নাই নাৰী সকলে। একবিংশ শতিকাত বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ যুগত পৃথিৱীৰ গোটেই বোৰ স্বাধীন দেশৰ উন্নতি হৈছে। সকলোৱে নিজৰ স্বাধীনতা উপভোগ কৰিব পাৰিছে কিন্তু নাৰী সকলে এতিয়াও সঠিক ৰূপ পোৱা নাই।

স্বাধীন দেশৰ আমি নাৰী সকলে এতিয়াও পৰাধীন। ল'ৰাজন ঘৰৰ পৰা ফুৰিব বা বিভিন্ন সংক্ৰান্তত ওলাই গ'লে আমি অভিভাৱক সকলে কোনো প্ৰশ্ন নকৰো, কিন্তু ছোৱালীজনী যদি ওলাই যায় আমি ক'ত যাব, কেতিয়া আহিব, কিয় যায়? আদি সকলো জানিব বিচাৰোঁ! এয়া আমাৰ ছোৱালী জনীৰ সুৰক্ষাৰ কাৰণে সুধিব লগীয়া হয়। সিহঁতে অলপ দুখ অনুভৱ কৰে কিন্তু অভিভাৱক সুধিবলৈ বাধ্য হয় কাৰণ ছোৱালীজনী বিপদ মুক্ত নহয় বাহিৰৰ এচাম মানুহ নামৰ দানৱ কাৰণে। গতিকে নাৰীৰ স্বাধীনতা ক'ত থাকিল!

বৰ্তমান ধৰ্মীয় সমাজব্যৱস্থা বা বিভিন্ন ক্ষেত্ৰত হওক আমাৰ নাৰী সকলৰ ওপৰতে সকলো নীতি-নিয়মৰ তালিকাখন অন্তৰ্ভূক্ত হয়, পুৰুষৰ ক্ষেত্ৰত তেনে নহয়। এগৰাকী নাৰী নিশা অকলে অহা সম্ভৱ নহয়। স্বাধীন দেশ হ'লেও নাৰী সুৰক্ষিত নহয় কিন্তু পুৰুষৰ ক্ষেত্ৰত তেনে নহয়।

গতিকে ফঁহিয়াই চালে কেৰোণ বহুত ওলাব। আমি নাৰী স্বাধীন দেশৰ কিন্তু পৰাধীন নাগৰিক বিভিন্ন দিশত। উদাহৰ বহুত আছে দিব লাগিলে এখন ডাঙৰ তালিকা দিব লাগিব....

# অনুভৱৰ এক নতুন ৰূপ



**জয়শ্ৰী গগৈ কলিতা**

বৰ্ণ মোৰ মা, শব্দ মোৰ পিতৃ  
চিন্তন মোৰ কৰ্ম, কৰ্মই মোৰ ধৰ্ম ।  
পিতৃ হ'ল আকাশ, মাতৃয়ে হ'ল সাগৰ  
যাৰ নাই গাত অকণো দুখ, ভাগৰ।  
পিতৃ হ'ল বৃক্ষ, মাতৃ হ'ল নদী,  
যাৰ ত্যাগ আৰু কষ্ট ফলত আমি সকলোৱে হলোঁ  
সমাজৰ একো একো জন ব্যক্তি।  
আইৰ মুখৰ পৰা শিকা ভাষা অতি আপোন  
ই হ'ল আমাৰ জাতিৰ দাপোন।  
জোনাক ৰাতি উজাগৰে থাকি মনৰ দলিচাৰ অনুভৱ বোৰ  
এটি এটিকৈ সজাইছিলো কবিতাই পোখা মেলিব বুলি।  
নহয় মই কোনো দিনেই কবি,  
নামাতিবা মোক কবি বুলি আশা কৰিলোঁ  
সতীৰ্থ সকলৰ মাজত বিষাদৰ টোপোলা খোলা  
এগৰাকী সতীৰ্থ বুলি।  
শব্দতে আৱদ্ধ থাকে হাজাৰ সৃষ্টিৰ অৰ্থ মনৰ দলিচাত বহি  
লুকাভাকু খেলি থাকে প্ৰাণৰ ভাষাৰ বাক্য।  
নোৱাৰে ৰোধিব মোৰ সৃষ্টিৰ বৃষ্টিক  
আইৰ মুখৰ ভাষাৰে লিখি থৈ যাম  
নৱ প্ৰজন্মৰ বাবে ক্ষুদ্ৰ অনুভৱ  
ভগৱান আৰু জ্যোষ্ঠ জনৰ পৰা সদায় আশীষ বিচাৰি।।

# The viral trap: How social media addiction is fuelling mental health concerns



**Heramba Nath**

Social media has revolutionised the way people communicate, interact, and share their experiences. However, the increasing obsession with going viral has created a dangerous cycle of social media addiction. While viral content can bring instant recognition, it also fuels a compulsive need for validation, leading individuals to spend excessive amounts of time on social media platforms. This addiction affects mental health, relationships, and daily life, making it a growing concern worldwide.

The constant urge to check notifications, seek approval through likes and comments, and compare lives with others can create an unhealthy dependence on social media. Many people experience anxiety and depression due to the pressure of maintaining an ideal online presence. The fear of missing out(FOMO)further intensifies this addiction, as users feel compelled to stay connected at all times, often at the expense of their well-being. Sleep disturbances, fatigue, and a decline in real-life social skills are common consequences of prolonged social media use.

Excessive exposure to curated and manipulated content fosters unrealistic expectations, leading to low self-esteem and body image issues. The desire to portray a perfect life online promotes materialism and narcissism, pushing individuals to seek external validation rather than genuine self-worth. Productivity suffers as attention spans decrease, making it difficult to focus on tasks without the distraction of social media.

Breaking free from this cycle requires conscious effort and self-discipline. Setting boundaries on social media use, engaging in offline activities, and seeking support from friends, family, or mental health professionals can help reduce dependency. Practising mindfulness, self-care, and gradually replacing screen time with healthier habits can significantly improve mental and emotional well-being.

Recognising the impact of social media addiction is essential for fostering a healthier relationship with technology. By addressing the issue and making mindful choices, individuals can regain control over their lives, prioritise real-life connections, and protect their mental health from the harmful effects of excessive social media use.

# লিমাৰিক



১)
ধূলিয়ৰী আকাশত নামিছে ফাগুন,
চেওঁ ধৰি ধৰি সৰাপাতৰ নাচোন,
দিন আজি পলাশৰ,
ৰঙা ৰং মদাৰৰ,
বসন্তৰ বতৰাও আনিছে দেখোন।
২)
ফাগুন, তুমি হেনো এক প্ৰেমৰ মাহ,
প্ৰেমিকৰ মনত জাগে নৱ উলাহ,
হিয়া দিয়া নিয়া কোৰা,
দুটি মন এটি হোৱা,
পিছে মোৰহে নুগুছেচোন চৰ্দি কাহ।

**হীৰা মণি বৈশ্য, শুৱালকুছি**

১)
ঐ ফাগুন আহিছে খেলি মেলি চৌপাশ
বতাহ উটিছে দেই ফুলৰ সুৱাস
ধূলিয়ে পকাই নিছে
চৰ্দি কাহঁ ও আহিছে
ঘৰ গছ পাত বাহ পাতৰ নিবাস ।
২)
তথাপি ফাগুন মোৰ প্ৰেমৰ দাপোন
ফাগুন বেলা খুবেই আছিল আপোন
নতুন এটা জীৱন
সাৰটি নৱ যৌৱন
চঞ্চল ভাৱেৰে যে সাঁচিছিলো সপোন।

**মামণি পাপৰি বৰুৱা বৰা, কলিয়াবৰ**

১)
ফাগুনৰ বতৰে মন উতলা কৰে,
উতলা মন চেনাইৰ কাষলৈ উৰে,
চেনাই মোৰ ঢুলীয়া,
বিহুত বৰ বলীয়া,
তাকে ভাবি থাকোতে মোৰ টোপনি ধৰে।
২)
ফাগুনতে শুনিলো কুলি চৰাই মাত,
উগুল থুগুল লাগি গ'ল মোৰ গাত,
বিহু গীতকে ৰচিলো,
নিজেই গাই শুনিলো,
বিহু শুনি মানুহজনে লগালে জাত।

**ৰশ্মি গগৈ, টেঙাখাত ,ডিব্ৰুগড়**

১)
শিৱৰাত্ৰিৰ পাছতে ফাকুৱা আহিব
সকলোৰে মিলিজুলি ৰংযে খেলিব
ঘৰে ঘৰে আমি যাম
চাহ লাৰু লুচি খাম
ৰংবোৰ গুচাওঁতে গাৰ চাল যাব ।
২১)
ফাগুণৰ বতাহে ধূলিময় কৰিছে
ঘৰে ঘৰে বহুতৰে জ্বৰ কাঁহ হৈছে
নিমপাত তিতাফুল
বীজানু কৰা নিৰ্মূল
ডাক্তৰেও ৰোগী চাই ভাগৰি পৰিছে ।

**মায়া বৰদলৈ, যোৰহাট**

# আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস

**এহিয়া আহমেদ, মৰিগাঁও**



প্ৰতি বছৰে ৮ মাৰ্চ তাৰিখে বিশ্বজুৰি আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদযাপন কৰা হয়। এই বিশেষ দিনটো নাৰীসকলৰ অধিকাৰ, গৌৰৱ আৰু সফলতা উদযাপন কৰাৰ লগতে, সমাজত নাৰীসকলে সন্মুখীন হোৱা অসুবিধাসমূহৰ প্ৰতি সচেতনতা বৃদ্ধি কৰিবলৈ উদযাপন কৰা হয়।

**ইতিহাস আৰু তাৎপৰ্য**

১৯১০ চনত ডেনমাৰ্কৰ কোপেনহেগেনত অনুষ্ঠিত এক আন্তঃৰাষ্ট্ৰীয় সমাজবাদী সন্মিলনত জাৰ্মান ৰাজনৈতিক নেত্ৰী "ক্লাৰা জেটকিনে" প্ৰথমবাৰৰ বাবে নাৰী দিৱস উদযাপনৰ প্ৰস্তাৱ আগবঢ়াইছিল। তাৰ পাছত ১৯১১ চনৰ ১৯ মাৰ্চত প্ৰথমবাৰৰ বাবে অষ্ট্ৰিয়া, ডেনমাৰ্ক, জাৰ্মানি আৰু ছুইজাৰলেণ্ডত এই দিৱস উদযাপন কৰা হৈছিল। পিছলৈ, ৰাষ্ট্ৰসংঘত ১৯৭৭ চনৰ ৮ মাৰ্চত আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস হিচাপে স্বীকৃতি দিয়ে।

**উদযাপন আৰু প্ৰাসংগিকতা**

নাৰী দিৱস উপলক্ষে পৃথিৱীৰ বিভিন্ন ঠাইত প্ৰতিবাদ, আলোচনা চক্ৰ, সচেতনতা কাৰ্যসূচী, বঁটা বিতৰণ আদি অনুষ্ঠিত কৰা হয়। বিশেষকৈ নাৰীসকলৰ শিক্ষা, স্বাস্থ্যসেৱা, কৰ্মসংস্থান, নেতৃত্ব আৰু সুৰক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি অহা প্ৰগতি মূল্যায়ন কৰা হয়।

আধুনিক যুগত নাৰীয়ে বহুতো ক্ষেত্ৰত অপৰিসীম সফলতা অৰ্জন কৰিছে যদিও, সমাজত এতিয়াও লিংগ বৈষম্য, নিৰ্যাতন, আৰু নাৰীৰ অধিকাৰ হৰণৰ দৰে সমস্যাসমূহ বিদ্যমান। সেইবাবেই, এই দিৱসটোৱে নাৰী-অধিকাৰ আৰু লিংগ সমতাৰ প্ৰয়োজনীয়তা সদৰি কৰে।

নাৰীসকলৰ শক্তি, সাহস আৰু অৱদানক সন্মান জনোৱাৰ বাবে আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস কেৱল এটি দিন নহয়, বৰঞ্চ এই দিনটো এটা আন্দোলন। সমাজৰ সকলো স্তৰত নাৰীক সমান অধিকাৰ আৰু সন্মান প্ৰদান কৰাটোৱেই সঁচা অৰ্থত নাৰী দিৱস উদযাপনৰ উদ্দেশ্য।

# কিশোৰ সাহিত্য আৰু অসমীয়া সাহিত্যত কিশোৰ মনস্তত্ত্বৰ প্ৰতিফলন



**টুনুজ্যোতি গগৈ**

কিশোৰ সাহিত্যৰ নিৰ্দিষ্ট সংজ্ঞা আৰু স্বৰূপ নিৰ্ণয় কৰাটো কিশোৰ বয়সৰ সীমাৰেখা আৰু প্ৰকৃতি নিৰ্ধাৰণ কৰাৰ দৰেই এক কঠিন কাম। সেয়ে কিশোৰ সাহিত্যৰ সংজ্ঞা আৰু স্বৰূপ নিৰ্ণয় কৰিবলৈ যোৱাৰ পূৰ্বে কিশোৰ বয়সৰ সীমাৰেখা আৰু প্ৰকৃতিৰ বিষয়ে কিছু আলোচনা কৰাটো যুগুত হ'ব। সাধাৰণতে কিশোৰ বয়স বুলিলে সদ্য উত্তীৰ্ণ শৈশৱ আৰু অনাগত যৌৱনৰ মাজৰ সময়ছোৱাকে বুজা যায়। দ্ৰুত পৰিৱৰ্তনশীল এই সময়ছোৱাক ইংৰাজীত কোৱা হয় Adolescence. লেটিনমূলীয় এই শব্দটোৰ অৰ্থ হৈছে পৰিপক্কতাৰ দিশে বিকাশশীল। এই সময়ছোৱাক আকৌ প্ৰাথমিক কিশোৰ (Early Adolescence) আৰু প্ৰান্তীয় কিশোৰ (Early Adolescence) বুলি দুভাগত বিভক্ত কৰা হৈছে। মনোবিজ্ঞানে ১২ ৰ পৰা ১৪ বছৰ পৰ্যন্ত বয়সক প্ৰাথমিক কিশোৰ আৰু ১৫ ৰ পৰা ১৭ বছৰ পৰ্যন্ত বয়সক প্ৰান্তীয় কিশোৰ বুলি কয়। এই সময়ছোৱাতে মানুহে শৈশৱৰ সৰলতাৰে পূৰ্ণ চিন্তা-চৰ্চাৰ পৰা আঁতৰি আহি, মনত অপাৰ বিস্ময় আৰু কৌতূহল লৈ, জীৱন আৰু জগতক নিজৰ মতে চাবলৈ-বুজিবলৈ শিকে। এই বয়সতে মানুহ নতুন স্বপ্ন, নতুন আশা-আকাংক্ষাৰে উদ্বেলিত হৈ জীৱনৰ *(বাৰপৃষ্ঠাত চাওক)*

১)
প্ৰকৃত মানুহ হয় কামৰ মাজেৰে
দুষ্ট প্ৰকৃতিৰ লোকে নাচি ফুৰে
প্ৰকৃত হ'বলৈ হ'লে
নম্ৰ, ভদ্ৰ, হব লাগে
জ্ঞানী সকলোৰ কথাত ও মন ভৰে ।।
২)
ধুনীয়া দেখিলে ই পচন্দ নকৰিবা
স্বভাৱ চৰিত্ৰৰ প্ৰতি লক্ষ্য কৰিবা
পঢ়া শুনা কেনেকুৱা
মন যদি উতনুৱা
তেনেকুৱা ঘৰত সম্বন্ধ নকৰিবা ।।

**ৰুক্মিণী দাস,শ্ৰীহাটী**

১)
ধন ল'ৰাটো বৰ সাংঘাটিক দুষ্ট,
চেহেৰা পাতিয়ে ধন বৰ হৃষ্ট পুষ্ট।
পঢ়াত নিদিয়ে মন,
নকলত তাৰ মন ।
পৰীক্ষাত চাই লিখে নকৰে সি কষ্ট।
২)
বিয়ালৈ মাতিলেই মনটো হয় বেয়া,
বিয়া খোৱা নহয় খান্দি কৰিহে নিয়া।
উপহাৰো দামী লাগে,
গাড়ী ভাৰা বেছি লাগে।
যাবলৈ নোৱাৰিলে মানুহে পায় বেয়া।

**মালবিকা দেৱী, শোণিতপুৰ হুপ্ৰাজুলি**


জনতাৰ চৰকাৰ
my GOV मेरी सरकार
অসম চৰকাৰ
খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ
খাদ্য সুৰক্ষা সুনিশ্চিতকৰণেৰে
চৰকাৰৰ অভিনৱ জনমুখী প্ৰয়াস
মাৰ্চ - ২০২৫ত
অন্ন সেৱা দিন
১-১০ মাৰ্চ ২০২৫
JANASANYOG- 4745/24/9-March-25
ডিচেম্বৰ-২০২৪ত নতুনকৈ ৰেচন কাৰ্ডপ্ৰাপ্ত সমূহ পৰিয়াল তথা সকলো নতুন হিতাধিকাৰীক সামৰি
মুঠ পৰিয়াল
৭০,৫২,৫২৪টা
মুঠ হিতাধিকাৰী
২,৪৫,৪৭,৫৭৬গৰাকী
এই বিশেষ দিনকেইটাত
ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত
প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনাৰ হিতাধিকাৰীৰ বাবে
৩৫ কিঃগ্ৰাঃ চাউল
অন্ত্যোদয় অন্ন যোজনা (AAY)ৰ
প্ৰতিমাহে, প্ৰতি পৰিয়াললৈ
৫ কিঃগ্ৰাঃ চাউল
অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়াল (PHH)ৰ
প্ৰতিমাহে, প্ৰতিগৰাকী হিতাধিকাৰীলৈ
প্ৰদান কৰা হ'ব
e-KYC
যোৱা ডিচেম্বৰ মাহত নতুনকৈ সংযোজন হোৱা সকলো হিতাধিকাৰীক এই মাৰ্চ মাহৰ অন্ন সেৱা দিনৰ ভিতৰত (১ মাৰ্চৰ পৰা ১০ মাৰ্চলৈ) তেওঁলোকৰ e-KYC প্ৰমাণীকৰণ সম্পন্ন কৰিবলৈ অনুৰোধ জনোৱা হ'ল।
গ্ৰাহকলৈ আমাৰ আহ্বান
এই বিশেষ দিনকেইটাত সুলভ মূল্যৰ দোকানৰ পৰা বিনামূলীয়া চাউল সংগ্ৰহ কৰক
লাভ কৰা চাউলৰ বিপৰীতে e-Pos মেচিন সৃষ্ট ৰচিদ সংগ্ৰহ কৰক
সুলভ মূল্যৰ দোকানীৰ কৰণীয়
অন্ন সেৱা দিন সম্পৰ্কে ব্যাপক প্ৰচাৰেৰে হিতাধিকাৰীসকলক বাধ্যতামূলকভাৱে অৱগত কৰোৱা
অন্ন সেৱা দিনৰ প্ৰতিটো দিনত দিনজোৰাকৈ দোকান খোলা ৰখা
হিতাধিকাৰীসকলৰ প্ৰাপ্য চাউল 'অন্ন সেৱা দিন'ত সম্পূৰ্ণ বিতৰণ সুনিশ্চিত কৰা
হিতাধিকাৰীয়ে লাভ কৰা চাউলৰ বিপৰীতে e-Pos মেচিনৰ ৰচিদ (Receipt) প্ৰদান কৰা
কোনো হিতাধিকাৰীয়ে সঠিক পৰিমাণৰ চাউল নাপালে
১৮০০-৩৪৫-৩৬১১ | ১৯৬৭
টোল ফ্ৰী নম্বৰত পুৱা ৯:০০ বজাৰ পৰা সন্ধিয়া ৬:০০ বজালৈ যোগাযোগ কৰিব পাৰিব
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি হোৱাটছএপ কৰক

# আন্তৰ্জাতিক নাৰী দিৱসৰ চিন্তাঃ
# সমগ্ৰ সমাজখনে মহিলাৰ সুৰক্ষাৰ দিশটো গুৰুত্ব সহকাৰে লওঁক



মানসী মিশ্ৰ

সৌ সিদিনা আৰম্ভ হোৱা বছৰটোৰে তৃতীয় মাহত ভৰি দিলে। এইফালে মাৰ্চ মাহ আৰম্ভ হোৱাৰ লগে লগে মহিলাসকলৰ মাজত উগুল থুগুল। এই মাহটোৰ আৰম্ভণিতে আন্তৰ্জাতিক নাৰী দিৱসৰ আয়োজন কৰি ইগৰাকীয়ে সিগৰাকীক মনত পেলায়। ক'বলৈ গ'লে আঠ মাৰ্চ দিনটো যেন মহিলাসকলৰ বাবে সংৰক্ষিত এটা বিশেষ দিন। সদায় আনৰ বাবে কাম কৰি, চিন্তা কৰি নিজৰ বাবে ভাৱিবলৈ আহৰি নোপোৱা মহিলাসকলে এই দিনটোতে যেন বিশেষভাৱে মনত পেলায়। আনফালে চাবলৈ হ'লে আজিৰ একবিংশ শতিকাৰ যুগতো যি যুগত মহিলাসকলে মহাকাশলৈ গৈছে, মহিলাই আকাশীযান চলাইছে, সেই সময়ত মহিলাৰ বাবে চিন্তা কৰিবলৈ বিশেষ দিন এটাৰ কিয় প্ৰয়োজন হ'ল, এয়াও এক বিশ্লেষণ কৰিবলগীয়া বিষয়। এতিয়া বিজ্ঞান আৰু প্ৰযুক্তিৰ উত্তৰণেৰে আকাশ চুব খোজা যুগত আমি বাস কৰিছোঁ। এইটো সময়ত মহিলা মহাকাশ বিজ্ঞানী হৈ মহাকাশলৈ গৈছে, বহু খ্যাতনামা চিকিৎসক হৈছে, প্ৰতিষ্ঠিত ব্যৱসায়ী হৈছে আৰু তাতোকৈ ডাঙৰ কথা মহিলা ৰাষ্ট্ৰপতি অৰ্থাৎ ৰাষ্ট্ৰপ্ৰধান পদতো নিৰ্বাচিত হৈছে। ইয়াৰ পিছতো মহিলা প্ৰকৃতপক্ষে সৱল হৈ উঠিব পৰা নাই নেকি? অথচ আমাৰ এইখন দেশতেই নাৰীক দেৱীৰূপে, শক্তিৰূপে পূজা কৰা হয়। এগৰাকী নাৰী কাৰোবাৰ মাতৃ অথবা ভগ্নী সেইগৰাকী নাৰীৰ ওপৰত চলে অকথ্য অমানৱীয় নিৰ্যাতন। এগৰাকী নাৰীয়ে মাতৃ হিচাপে, বোৱাৰী হিচাপে, কাৰোবাৰ কন্যা অথবা ভগ্নী হিচাপে এক মৰ্যাদা আৰু মৰমভৰা স্থান পোৱাৰ পিছতো নিমিষতে সকলো মৰ্যাদা চূৰ্ণীকৃত হৈ যায়। আমাৰ ৰাজ্যত বিশেষকৈ মহিলা উৎপীড়ণৰ ঘটনা অতি ভয়াবহ হাৰত বাঢ়িছে। প্ৰতিদিনে পুৱা বাতৰি কাকতখন পঢ়িলেই অথবা টিভিত বাতৰিটো চাবলৈ ল'লে মহিলাৰ ওপৰত হোৱা নিৰ্যাতনৰ বাতৰিয়ে মনটো শিহৰিত কৰে। মাত্ৰ কেইদিন মান আগতে নলবাৰী চহৰৰ এগৰাকী মহিলা আৰু তেওঁৰ বিশেষভাৱে সক্ষম পুত্ৰ সন্তানক মৃত অৱস্থাত পোৱা যায়। নিজৰ পুত্ৰৰ জন্মদিনৰ অনুষ্ঠান সমাপ্ত হোৱাৰ পিছত মাতৃ পুত্ৰক ঘৰৰ ভিতৰত ৰহস্যজনক ভাৱে মৃত অৱস্থাত পোৱাত আত্মীয়, ওচৰ চুবুৰীয়া সকলোৱে সন্দেহ ঘনীভুত হয়। ঘটনাৰ সময়ৰ পৰাই নিৰুদ্দেশ হৈ থকা তেওঁৰ স্বামীক হত্যাকাণ্ডৰ লগত জড়িত বুলি সকলোৱে সন্দেহ প্ৰকাশ কৰে। আৰক্ষীৰ তদন্তত এসপ্তাহ মানৰ ভিতৰত পলাতক স্বামীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। সৌসিদিনা ধেমাজি জিলাত ৰে'লৰ আলিৰ সমীপত এগৰাকী অৰ্ধনগ্ন অৱস্থাত মৃত যুৱতীক উদ্ধাৰ কৰা হৈছে। আৰক্ষীৰ প্ৰাথমিক তদন্তত যুৱতী গৰাকীক কোনোৱে যৌন উৎপীড়ণ চলাই হত্যা কৰাৰ সন্দেহ কৰা হৈছে। পাৰ হৈ যোৱা বছৰটোত জনসাধাৰণৰ ৰক্ষাকৰ্তা মহিলা আৰক্ষী বিষয়াৰে ৰহস্যজনক অৱস্থাত মৃত্যু হ'ল। আজিলৈকে ইয়াৰ সঠিক তদন্ত হৈ নুঠিল। দুৰ্ভগীয়া মাতৃয়ে একমাত্ৰ কন্যা সন্তানৰ এই ৰহস্যজনক মৃত্যুৰ উচিত তদন্ত বিচাৰি হতাশ হ'বলগীয়া হ'ল। বছৰটোৰ প্ৰথমভাগত গোৱালপাৰা জিলাত এগৰাকী প্ৰভাৱশালী মহিলা যিগৰাকী মহিলা বিভিন্ন অনুষ্ঠানৰ সাংগঠনিক কাম কাজত জড়িত হৈ থকাৰ লগতে এটি শক্তিশালী ৰাজনৈতিক দলৰ কৰ্মকৰ্তা আছিল, তেনে মহিলাকো হত্যা কৰা হ'ল অতি বৰ্বৰভাৱে। হত্যাকাণ্ডৰ আগতে তেওঁৰ ওপৰত যৌনউৎপীড়ণ চলোৱাৰ প্ৰমাণ পোৱা গৈছে। একেদৰে তিনিচুকীয়া জিলাত ষষ্ঠ শ্ৰেণীত পঢ়ি থকা কণমানি কিশোৰী এগৰাকীক নিজৰ তাৰৈয়েকে ঘৰত অকলশৰে থকা অৱস্থাত বলাৎকাৰ কৰি উঠি পিছত হত্যা কৰিছিল। এনে জঘন্য ঘটনাই সকলোকে শিহৰিত কৰি তুলিছিল। সৌ সিদিনা সৰস্বতী পূজাৰ দিনাখন কি নাটকীয় ভংগিমাৰে যুৱতী সৰবৰাহ কৰা হৈছিল, সেই কথা নিশ্চয় আমাৰ সকলোৰে মনত আছে। সেই একেটা দিনত ৰাজ্যৰ ভিন্নঠাইৰ পৰা একেৰাহে ৯ গৰাকী যুৱতী, কিশোৰী অপহৰণ কৰা হৈছিল। এই উল্লেখ কৰা ঘটনাসমূহ মাত্ৰ কেইটামান উদাহৰণহে। ৰাজ্যৰ চুকেকোণে প্ৰায় প্ৰতিটো দিনতে সংঘটিত হৈ থকা নাৰী নিৰ্যাটনৰ ঘটনাসমূহৰ মাত্ৰ কেইটামান ঘটনাহে সংবাদ মাধ্যমৰ যোগেদিহে পোহৰলৈ আহে বহু ঘটনা আমাৰ অলক্ষিতে ৰৈ যায়। আমাৰ চৌপাশে ঘটি থকা ঘটনা সমূহৰ পটভূমি আমি যদি বিশ্লেষণ কৰি চাওঁ তেন্তে এই কথাটো ওলাই পৰে যে আমি সমাজত সততে যিসকল মহিলাক দুৰ্বল মহিলা বুলি ভাবি থাকোঁ, শিক্ষা দীক্ষা কম থকা, নিজস্ব উপাৰ্জন নথকা, অৰ্থনৈতিকভাৱে পিছপৰা মহিলা সকলে যে সমাজত ভিন্নধৰণৰ নিৰ্যাটনৰ সন্মুখীন হৈ আছে তেনে নহয়। বহু উচ্চ শিক্ষিত, স্বাৱলম্বী, প্ৰতিভাৱান মহিলায়ো সমাজত বিভিন্ন উৎপীড়ণ, নিৰ্যাটনৰ মুখামুখি হৈ আছে। গতিকে মহিলা ৰাষ্ট্ৰ প্ৰধান, মহাকাশচাৰী, বিজ্ঞানী আদি উচ্চ আসনত বহিলেও বহুসংখ্যক মহিলাই আমাৰ সমাজত বিভিন্ন ধৰণৰ উৎপীড়ণৰ সন্মুখীন হৈ আছে। মহিলা, যুৱতী সকলক এই পৰিস্থিতিত বিভিন্ন নিৰ্যাটনৰ বিৰুদ্ধে যুজঁ কৰিবলৈ, ন্যায় প্ৰাপ্তি সুনিশ্চিত কৰিবলৈ মহিলাৰ সপক্ষে বহু আইন, আইনী সুৰক্ষা ইতিমধ্যে আছে দেশত। কিন্তু এইটোও ঠিক যে মাত্ৰ কেইখনমান আইন বলৱৎ হৈ থাকিলেই মহিলা, যুৱতী সকলৰ সুৰক্ষা নিশ্চিত হ'ব নোৱাৰে। তৃণমূল পৰ্য্যায়ৰ পৰা একেবাৰে উচ্চস্তৰলৈ প্ৰতিগৰাকী মহিলাই প্ৰথমতে সজাগ সচেতন হ'ব লাগিব নিজৰ অদিকাৰ, সুৰক্ষা আদিৰ ক্ষেত্ৰত। মহিলা সকলে মহিলা সকলৰ মাজত পাৰস্পৰিক সন্মান, সহযোগিতা আদি বজাই ৰাখিব লাগিব। পুৰুষেই হওঁক, মহিলাই হওঁক কোনেও মহিলাক এটা পৃথক শ্ৰেণী অথবা দুৰ্বল শ্ৰেণী তেনেধৰণৰ ভাৱ মনলৈ আনিব নালাগে। মহিলাকো এগৰাকী ব্যক্তি বুলি ভাবি লৈ মহিলাৰ অধিকাৰ, সুৰক্ষা আদিৰ ক্ষেত্ৰত সংবিধান প্ৰদত্ত অধিকাৰ সমূহ ৰক্ষা কৰাৰ সুযোগ দিব লাগে। মহিলাক যথোপযুক্ত সন্মান আৰু সুৰক্ষা প্ৰদান কৰা কথাটো নিজৰ ঘৰখনৰ পৰাই আৰম্ভ হ'ব লাগিব। নিজৰ ঘৰখন, পৰিয়ালটোৰে মহিলাক প্ৰাপ্য সন্মান আৰু সুৰক্ষাখিনি প্ৰদান কৰিব পাৰিলে সমাজৰ বাকী সকলেও দিব। মহিলাক বিভিন্ন প্ৰকাৰৰ উৎপীড়ণৰ পৰা সুৰক্ষা দিবলৈ ইতিমধ্যে যিসমূহ আইন কানুন প্ৰৱৰ্ত্তন কৰা হৈছে সেইসমূহ কেৱল মহিলা সকলৰ মাজতে সীমাবদ্ধ ৰাখিলে নহ'ব, পুৰুষসকলৰ মাজতো ইয়াৰ উপযুক্ত সজাগতা প্ৰদান কৰিব লাগিব। বিগত কিছুদিন ধৰি দেখা গৈছে যে ৰাজধানী মহানগৰীতে হওঁক মহিলা, যুৱতী, কিশোৰী সকলৰ ওপৰত হোৱা যৌন উৎপীড়ণ ভয়াবহ হাৰত বৃদ্ধি পাব ধৰিছে। একাংশ পুৰষ আৰু যুৱ সমাজৰ একাংশই মহিলা, যুৱতীসকলক পণ্য সামগ্ৰী বুলিয়েই দাবী কৰে। গতিকে তেওঁলোকতকৈ কনিষ্ঠ, জ্যেষ্ঠ কাকোৱেই বেয়া দৃষ্টিৰে চাবলৈ, বেয়া ব্যৱহাৰ কৰিবলৈ অকণো সংকোচ নকৰে। এই ক্ষেত্ৰত এই সকল ব্যক্তিক কেৱল আইন প্ৰণয়ন কৰিয়েই যে অপৰাধ নিৰ্মুল কৰিব পৰা যাব, এইটো নহয়। এই সকল লোকৰ ভিতৰৰ মানসিকতাৰ পৰিৱৰ্তন হ'ব লাগিব। কথাটো হ'ল তেওঁলোকৰ মানসিকতাৰ পৰিৱৰ্তন কোনে কৰিব। পৰিয়ালৰ লোকসকলে এইক্ষেত্ৰত আগভাগ ল'ব লাগিব আৰু নিজে নিজৰ মনৰ পৰা কুৎসিত, ঠেক মনোবৃত্তি বাদ দিব লাগিব। সেয়েহে আমাৰ পৰিয়াল সমূহত পুত্ৰ সন্তান কিছু ডাঙৰ হৈ অহাৰ পৰাই অভিভাৱকসকলে মহিলা সকলৰ প্ৰতি সন্মান বজাই তুলিব পৰাকৈ শিক্ষা প্ৰদান কৰিব লাগিব। সৰুৰে পৰাই যদি ল'ৰাসকলে মহিলাক মাতৃ, ভগ্নী, বাইদেউ আদি সন্মান সূচক দৃষ্টিভংগীৰে চাব পাৰে তেন্তে সমাজত মহিলাৰ ওপৰত হোৱা নিৰ্যাটন বহু পৰিমাণে কমি যাব। মহিলাসকলে সমাজত সন্মানসূচক আৰু সুৰক্ষিতভাৱে জীয়াই থকাৰ সুবিধাখিনি পালেহে প্ৰতিবছৰে আন্তৰ্জাতিক নাৰী দিৱসৰ উদযাপন কৰাটো সফল আৰু সাৰ্থক হ'ব।

অতীজৰ পৰাই নাৰীক মাতৃ, পত্নী, ভগ্নীৰূপে মৰ্যাদাপূৰ্ণ আসন দি অহা হৈছে। গতিকে প্ৰতিগৰাকী মহিলাই সমাজত সন্মান সহকাৰে জীয়াই থকাৰ সুবিধা পোৱাটো নিশ্চিত কৰিব লাগে। Dignity is her right। নাৰী আৰু পুৰুষৰ সহযোগিতাৰ মাজেদিহে এখন সুন্দৰ সমাজ গঢ়ি উঠে। সেয়েহে প্ৰতিগৰাকী মহিলাই যাতে সমাজত উপযুক্ত সন্মান আৰু মৰ্যাদা সহকাৰে জীয়াই থাকিব পাৰে এই কথাটোত মহিলা সকলৰ লগতে পুৰুষ সকলেও সমানে গুৰুত্ব দিব লাগে।

## শব্দৰ লগনত



সংগীতা ডেকা, ৰঙিয়া

আশা থাকিল  
তুমি দুচকুৰে ক'বা  
বৰ্ণনাতীত ভাবে  
সমিধান বিচাৰিবা  
সাঁথৰ মোৰ শব্দবোৰৰ!  
কিজানিবা তোমাৰ দৃষ্টি হৈ  
মুখামুখি হৈয়েই যায়!  
যি মোৰ চকুৰ পতাত  
পানী ৰূপে যেন ক'ৰবাত  
গোট মাৰি গৈছে.  
যেন এক অচিন,  
যেন এক অদৃশ্য দিশ  
আৰু তাৰ,  
বাকহীন আলিংগনত ।

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে

খেলিলে প্ৰধানমন্ত্ৰীয়ে। চিম্পাঞ্জীৰ পোৱালীকো গাত উঠাই লৈ মৰম কৰি দিয়ে মোদীয়ে। তেওঁ বগা সিংহ, কেৰাকেল পোৱালি আৰু নাহৰফুটুকী পোৱালিকো গাখীৰ খুৱাই দিয়ে। উল্লেখযোগ্য যে, মোদীয়ে গাখীৰ খোৱাই দিয়া বগা সিংহৰ পোৱালিটোৰ মাতৃক উদ্ধাৰ কৰি বনতাৰালৈ অনা হৈছিল। ইয়াৰ লগতে প্ৰধানমন্ত্ৰী মোদীয়ে বনতাৰা সংৰক্ষণ কেন্দ্ৰৰ উৎকৃষ্ট পশু চিকিৎসা সুবিধা আৰু বিৰল প্ৰজাতিৰ জীৱ-জন্তুৰ তথ্য গ্ৰহণ কৰে। জীৱ-জন্তুৰ অস্ত্ৰোপচাৰো চাই প্ৰধানমন্ত্ৰীগৰাকীয়ে। চিকিৎসালয়ৰ এম আৰ আই কক্ষত উপস্থিত হৈ মোদীয়ে এছিয়াটিক সিংহৰ এম আৰ আই কৰা দৃশ্য পৰিদৰ্শন কৰে। সেই সময়ছোৱাত এটা নাহৰফুটুকীৰো অস্ত্ৰোপচাৰ চলি আছিল। সেই নাহৰফুটুকীটোক ঘাইপথত এখন গাড়ীয়ে খুন্দা মাৰিছিল, তাৰ পিছতে উদ্ধাৰ কৰি লৈ অনা হৈছিল বনতাৰালৈ। প্ৰধানমন্ত্ৰী মোদীয়ে বনতাৰা মুকলি কৰাৰ সময়ত ৰিলায়েঞ্চৰ অধ্যক্ষ মুকেশ আম্বানি, তেওঁৰ পত্নী নীতা আম্বানি, পুত্ৰ অনন্ত আম্বানি আৰু বোৱাৰী ৰাধিকা মাৰ্চেন্ট উপস্থিত থাকে। বনতাৰাৰ চিকিৎসালয়ত থকা এমআৰআই কক্ষও প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰত্যক্ষ কৰে। তিনি হাজাৰ একৰ ভূমিত সজোৱা বনতাৰাত কেইবাপ্ৰজাতিৰ প্ৰাণী প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰত্যক্ষ কৰে। এই বনতাৰাত হাতীৰ পৰা বিভিন্ন প্ৰজাতিৰ বন্যপ্ৰাণী আছে। উল্লেখ্য যে, গুজৰাটৰ জামনগৰ শোধনাগাৰ চৌহদৰ ৩, ৫০০ একৰ ভূমি সামৰি নিৰ্মাণ কৰা 'বনতাৰা' হৈছে পৃথিৱীৰ সৰ্ববৃহৎ বন্যপ্ৰাণী পুনৰসংস্থাপন কেন্দ্ৰ। 'বনতাৰা'ত দেশৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা উদ্ধাৰ কৰা আঘাতপ্ৰাপ্ত বন্যপ্ৰাণীক আশ্ৰয় দিয়া হৈছে। তথ্য মতে, দুহাজাৰতকৈ অধিক প্ৰজাতিৰ বন্যপ্ৰাণীৰ লগতে ১.৫ লাখ উদ্ধাৰকৃত প্ৰাণী বনতাৰাত আছে। বনতাৰাত থকা প্ৰাণীসমূহৰ কিছুসংখ্যক বিৰল প্ৰজাতিৰ লগতে কিছুসংখ্যক বিলুপ্তপ্ৰায়। পশু বিশেষজ্ঞৰ লগতে এই বনতাৰাত ২১ তকৈ অধিক কৰ্মচাৰী আছে। প্ৰাণীসমূহৰ শুশ্ৰূষা আৰু চিকিৎসাৰ বাবে অত্যাধুনিক ব্যৱস্থা আছে এই বনতাৰাত।

# দক্ষিণ আফ্ৰিকাক পৰাস্ত

মিচেল ছাণ্টনাৰে সৰ্বাধিক তিনিটা উইকেট, মেট হেনৰী আৰু গ্লেন ফিলিপছে দুটাকৈ উইকেট দখল কৰাৰ বিপৰীতে মাইকেল ব্ৰেচৱেল আৰু ৰাচীন ৰবীন্দ্ৰই এটাকৈ উইকেট দখল কৰে । ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি ৰাচিন ৰবীন্দ্ৰ আৰু কেন উইলিয়ামছনৰ দুৰ্দান্ত শতকৰ সহায়ত নিউজিলেণ্ডে নিৰ্ধাৰিত ৫০ অভাৰত ৬টা উইকেট হেৰুৱাই ৩৬২ ৰান সংগ্ৰহ কৰে। ৰবীন্দ্ৰই ১০৮ আৰু উইলিয়ামছনে ১০২ ৰানৰ অৰিহণা আগবঢ়ায়। দলীয় স্ক'ৰ ৪৮ ৰানত উইল ইয়ঙৰ ৰূপত নিউজিলেণ্ডে প্ৰথমটো উইকেট হেৰুৱাই যদিও ৰবীন্দ্ৰ আৰু উইলিয়ামছনে দ্বিতীয় উইকেটত ১৬৪ ৰান সংগ্ৰহ কৰি দলটোক শক্তিশালী স্থিতিত উপনীত কৰায়। ইপিনে ডাৰিল মিচেলে ৩৭টা বলত ৪৯ আৰু গ্লেন ফিলিপছে ২৭টা বলত অপৰাজিত ৪৯ ৰান কৰে। দক্ষিণ আফ্ৰিকাৰ হৈ লুংগি এনগিৰিয়ে সৰ্বাধিক তিনিটা উইকেট লাভ কৰে। দেওবাৰে ডুবাইত হ'বলগীয়া ফাইনেল মেচখনত নিউজিলেণ্ডে টীম ইণ্ডিয়াৰে মুখামুখি হ'ব।

# অষ্ট্ৰেলিয়াক পৰাস্ত কৰি

বলত ৩টা চাৰি আৰু এটা ছয়েৰে ২৮ ৰান কৰে। অৱশ্যে কোহলিয়ে আয়াৰৰ সৈতে লগ লাগি তৃতীয় উইকেটত ৯১ ৰান সংগ্ৰহ কৰি দলৰ বিপৰ্যয় ৰোধ কৰে। মেচখনত শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰা কোহলিয়ে ৯৮টা বলত ৫টা চাৰিৰে ৮৪ ৰান কৰে। আউট হোৱাৰ পূৰ্বে কোহলিয়ে অক্ষৰ পেটেলৰ সৈতে চতুৰ্থ উইকেটত ৪৪ আৰু ৰাহুলৰ সৈতে পঞ্চম উইকেটত ৪৭ ৰান সংগ্ৰহ কৰি দলৰ জয়ৰ পথ প্ৰশস্ত কৰি তুলিছিল। ৰাহুলে ৩৪টা বলত ২টা চাৰি আৰু সমসংখ্যক ছয়েৰে ৪২ ৰান কৰি অপৰাজিত হৈ থাকে। অষ্ট্ৰেলিয়াৰ হৈ নাথান ইলিছ আৰু আদাম জাম্পা উভয়ে সৰ্বাধিক দুটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি অধিনায়ক ষ্টিভেন স্মিথৰ ৭৩, এলেক্স কেৰীৰ ৬১, ট্ৰেভিছ হেডৰ ৩৯ আৰু মাৰ্নাছ লাবুচানেৰ ২৯ ৰানৰ সহায়ত অষ্ট্ৰেলিয়াই ৪৯.৩ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ২৬৪ ৰান কৰে। কুপাৰ ক'ন'লীয়ে ০, জ'ছ ইংলিছে ১১ আৰু মেক্সৱেলে মাত্ৰ ৭ ৰান কৰে। টীম ইণ্ডিয়াৰ হৈ মহম্মদ ছামিয়ে সৰ্বাধিক ৩টা, বৰুণ চক্ৰৱৰ্তী আৰু ৰবীন্দ্ৰদ জাদেজা উভয়ে ২টাকৈ, হাৰ্দিক পাণ্ডিয়া আৰু অক্ষৰ পেটেল উভয়ে এটাকৈ উইকেট লাভ কৰে। উল্লেখ্য যে টীম ইণ্ডিয়াই ২০১১ চনৰ এদিনীয়া বিশ্বকাপৰ কোৱাৰ্টাৰ ফাইনেলৰ পিছৰ পৰা আইচিচিৰ নকআউট মেচত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে জয়ৰ মুখ দেখা নাছিল। অৱশেষত দীৰ্ঘদিনীয়া ব্যৰ্থতাৰ অন্ত পেলায় টীম ইণ্ডিয়াই।

# দিল্লীত দেশৰ ২৪ খন ৰাজ্যৰ

চৰকাৰে কিদৰে এটাৰ পিছত এটাকৈ ষড়যন্ত্ৰ ৰচনা কৰি আছে সেয়া দেশৰ জনতাই এতিয়াও ভালকৈ উপলব্ধি কৰিব পৰা নাই। চৰকাৰৰ এই ভয়ংকৰ ষড়যন্ত্ৰক একমাত্ৰ গ্ৰাহক আৰু বিদ্যুৎ কৰ্মচাৰীসকলৰ যৌথ আন্দোলনেহে প্ৰতিহত কৰিব পাৰে। তাৰোপৰি বক্তব্য ৰাখে এ আই পি ই এফৰ পৃষ্ঠপোষক অশোক ৰাও, তামিলনাডুৰ শক্তি বিতৰণ কোম্পানীৰ অবসৰপ্ৰাপ্ত উচ্চপদস্থ বিষয়া এছ গান্ধী, অল আছাম ইলেক্ট্ৰিচিটি কনজিউমাৰ্চ এছচিয়েছনৰ উপদেষ্টা বিমল দাস, দামোদৰভেলী কৰ্পোৰেচনৰ এ কে জৈন, এ আই ই চি এৰ সাধাৰণ সম্পাদক কে ভেনুগোপাল, অল আছাম ইলেক্ট্ৰিচিটি কনজিউমাৰ্চ এছচিয়েছনৰ অন্যতম আহ্বায়ক অজয় আচাৰ্য্য প্ৰমুখ। অভিৰ্তনৰ পৰা বিদ্যুতৰ বেচৰকাৰীকৰণ, স্মাৰ্ট মিটাৰ ৰ বিৰুদ্ধে দেশব্যাপী বিদ্যুৎ গ্ৰাহক আৰু কৰ্মচাৰী সকলৰ যৌথ আন্দোলন গঢ়ি তোলাৰ সিদ্ধান্ত ঘোষনা কৰা হয়। উল্লেখযোগ্য যে, যোৱা কালি এছচিয়েছনৰ উদ্যোগত ডেৰ সহস্ৰাধিক গ্ৰাহকে সংসদ অভিযান কৰিবলৈ গৈ জন্তৰমন্তৰত সমবেত হৈ তিনি ঘন্টা জোৰা বিক্ষোভ প্ৰদৰ্শন কৰে। দিল্লীৰ এই আন্দোলনৰ কাৰ্যসূচীত অসমৰ পৰা প্ৰায় দুইশতাধিক গ্ৰাহকে অংশগ্ৰহণ কৰে।

# গুৱাহাটীৰ জাবৰ নিষ্কাশনৰ লগতে

দীৰ্ঘদিনে আছে উন্মুক্ত অৱস্থাত। দুই-এডাল বাঁহ বান্ধি ৰঙা কাপোৰেৰে বিপদৰ চিহ্ন দেখুৱাই দিয়া এই উন্মুক্ত নলাসমূহ বাৰিষা আহিলেই বৰষুণৰ পানীত বুৰ যায়। ফলত পথচাৰীসকলে বিপদত পৰি আহিছে। বৰষুণৰ পানীৰে ৰাস্তা আৰু পদপথ একাকাৰ হৈ কৰ্তব্যস্থানলৈ অহা-যোৱা কৰা বহু লোক প্ৰতি বছৰে বিভিন্ন সময়ত বিপদৰ সন্মুখীন হৈছে, হতাহত হৈছে, নলাত উটি গৈ মৃত্যুক আকোৱালি লৈছে। উল্লেখ্য যে মেয়ৰ মৃগেন শৰণীয়াৰ হাতত স্মাৰক পত্ৰ প্ৰদানৰ পিছতে আপৰ সজাতি দলটোৱে উত্থাপন কৰা বিষয়সমূহ সমাধানৰ আশ্বাস দিয়ে। ৰাজ্যিক উপ সভাপতি অনুৰূপা ডেকাৰজাৰ নেতৃত্বত যোৱা দলটোত ৰাজ্যিক যুটীয়া সম্পাদক জয়ন্ত শইকীয়া, যুৱ শক্তিৰ উপ সভাপতি জিতু ডেকা, সম্পাদক সৌৰভ কলিতা, দিতুল বৰুৱাৰ উপৰি বহুকেইগৰাকী দলীয় কৰ্মীয়ে অংশগ্ৰহণ কৰে।

# ৰাজ্যত পুনৰ ভূমিকম্পৰ

ভূমিকম্পটোৰ অভিকেন্দ্ৰ মণিপুৰৰ পৰা ৪৩কিলোমিটাৰ নিলগৰ চাংদাঙত বুলি সদৰি কৰা হৈছে।এই ভূমিকম্পৰ ফলত কোনো ক্ষয়-ক্ষতি হোৱা নাই যদিও মানুহৰ মাজত এক হাঁহাকাৰ পৰিস্থিতিৰ সৃষ্টি কৰে। ম্যানমাৰতো এই ভূমিকম্পৰ ফলত কোনো ক্ষয়-ক্ষতি হোৱা নাই। উল্লেখ্য যে, যোৱা ২৭ ফেব্ৰুৱাৰীতো ৰাজ্যক ভূমিকম্পই জোকাৰি গৈছিল। নিশা প্ৰায় ২.২৫ বজাত হোৱা ভূমিকম্পৰ ৰিখটাৰ স্কেলত প্ৰাবল্য আছিল ৫.০। বুধবাৰতকৈ কিছু ডাঙৰ আছিল সেই দিনাৰ ভূমিকম্প। শিৱৰাত্ৰিৰ নিশা এই ভূমিকম্পৰ জোকাৰণি ৰাজ্যৰ বিভিন্ন প্ৰান্তত অনুভূত হৈছিল।

# অৱসৰৰ সিদ্ধান্ত সলনি

লোৱাৰ কথা ঘোষণা কৰিছিল। ৪০ বছৰ সম্পূৰ্ণ কৰা চেত্ৰীয়ে ২০২৪ চনৰ ৬ জুনত কুৱেইটৰ বিৰুদ্ধে অন্তিমখন খেল খেলিছিল। বিশ্বকাপ ২০২৬ৰ কোৱালিফায়াৰ মেচখনত পৰাস্ত হোৱাৰ পাছত চেত্ৰীয়ে আন্তঃৰাষ্ট্ৰীয় ফুটবলক বিদায় জনাইছিল। এতিয়া ২৭৩ দিনৰ মূৰত আকৌ এবাৰ কিংবদন্তি ফুটবলাৰগৰাকীয়ে ভাৰতীয় জাৰ্জী পিন্ধাৰ সিদ্ধান্ত লৈছে। ২০২৭ চনৰ এএফচি এছিয়ান কাপৰ কোৱালিফায়াৰ মেচ অনুষ্ঠিত হ'ব। চলিত মাহৰ শেষৰ ফালে টীম ইণ্ডিয়াৰ এখন গুৰুত্বপূৰ্ণ মেচ আছে। ২৫ মাৰ্চত মেঘালয়ৰ ৰাজধানী শিলঙত ভাৰত আৰু বাংলাদেশৰ মাজত অনুষ্ঠিত হ'ব এই মেচখন। এই মেচখনৰ গুৰুত্ব বিবেচনা কৰি চেত্ৰীয়ে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। চেত্ৰীয়ে আন্তঃৰাষ্ট্ৰীয় ফুটবলত ৯৪টা গ'ল দিছে, আন্তৰ্জাতিক ফুটবলত বৰ্তমান খেলি থকা খেলুৱৈসকলৰ ভিতৰত তৃতীয় সৰ্বাধিক গ'ল স্ক'ৰাৰ । এই তালিকাত প্ৰথম স্থানত আছে ক্ৰিষ্টিয়ানো ৰোনাল্ডো আৰু দ্বিতীয় স্থানত লিঅ'নেল মেছি । ইপিনে, সুনীল চেত্ৰীয়ে প্ৰথমবাৰৰ বাবে নতুন প্ৰশিক্ষক মানোলো মাৰ্কেজৰ দলত খেলা দেখা যাব। যোৱা বছৰ চেত্ৰীয়ে অৱসৰ লোৱাৰ পাছতহে মাৰ্কেজক ভাৰতীয় দলৰ নতুন প্ৰশিক্ষক হিচাপে নিযুক্তি দিয়া হৈছিল। চেত্ৰী ঘূৰি অহাৰ এটা ডাঙৰ কাৰণ হ'ল তেওঁৰ বৰ্তমানৰ প্ৰদৰ্শন। আন্তঃৰাষ্ট্ৰীয় ফুটবলৰ পৰা অৱসৰ লোৱাৰ পাছতো চেত্ৰীয়ে নিজৰ ক্লাব বেংগালুৰু এফচিৰ হৈ অবিৰতভাৱে খেলি আছে। আইএছএলৰ চলিত ছিজনত বেংগালুৰুৰ হৈ চেত্ৰীয়ে এতিয়ালৈকে ১২টা গ'ল কৰিছে, য'ত কেৰালা ব্লাষ্টাৰ্ছৰ বিৰুদ্ধে হেটট্ৰিক অৰ্জন কৰিছিল। এনে পৰিস্থিতিত এই পদক্ষেপ গ্ৰহণ কৰি মহান ফুটবলাৰগৰাকীৰ ফৰ্মৰ সুবিধা ল'বলৈ বিচাৰিছে মাৰ্কেজ আৰু ভাৰতীয় ফুটবল সন্থাই। ইফালে, এই পদক্ষেপত সন্মতি প্ৰকাশ কৰিছে চেত্ৰীয়ে।

# এদিনীয়া ক্ৰিকেটৰ পৰা

সেই লক্ষ্যত উপনীত হয়। ইফালে ৫০ অভাৰৰ ফৰ্মেটক বিদায় জনোৱাৰ সিদ্ধান্ত ঘোষণা কৰি স্মিথে কয় যে তেওঁ অষ্ট্ৰেলিয়াৰ সৈতে দুটাকৈ বিশ্বকাপ (২০১৫ এদিনীয়া বিশ্বকাপ আৰু ২০২১ টি-২০ বিশ্বকাপ) জয়ী হোৱাৰ সৌভাগ্য লাভ কৰিছে। ক্ৰিকেট অষ্ট্ৰেলিয়ালৈ দিয়া এক বিবৃতিত স্মিথে কয়, 'এয়া এক সুন্দৰ যাত্ৰা আছিল আৰু মই ইয়াৰ প্ৰতিটো ক্ষণ উপভোগ কৰিছোঁ। বহু আশ্চৰ্যকৰ সময় আৰু গুৰুত্বপূৰ্ণ স্মৃতি আছে। দুটা বিশ্বকাপ জয়ী কৰাটো এক সুন্দৰ স্মৃতি আছিল লগতে এই যাত্ৰাত বহু ভাল সতীৰ্থ লগ পাইছোঁ।' উল্লেখ্য যে ৩৫ বছৰীয়া ষ্টিভ স্মিথে ২০১০ চনত এদিনীয়াত অভিষেক ঘটায়। তেওঁ অষ্ট্ৰেলিয়াৰ হৈ মুঠ ১৭০খন এদিনীয়া মেচ খেলিছিল। ষ্টিভ স্মিথে ১৭০খন এদিনীয়াত ৪৩.২৮ গড়ে ৫৮০০ ৰাণ সংগ্ৰহ কৰিছে। ৮৬.৯৬ ষ্ট্ৰাইক ৰেটৰ সৈতে তেওঁ ১২টা শতক আৰু ৩৫টা অৰ্ধশতক কৰিছে। তেওঁ এদিনীয়াত অষ্ট্ৰেলিয়াৰ হৈ দ্বাদশ সৰ্বাধিক ৰাণ সংগ্ৰহকাৰী হিচাপে কেৰিয়াৰ সমাপ্ত কৰে। স্মিথে ২০১৬ চনত নিউজিলেণ্ডৰ বিৰুদ্ধে ১৬৪ ৰাণ সংগ্ৰহ কৰিছিল। যিটো এদিনীয়াত স্মিথৰ সৰ্বোচ্চ স্ক'ৰ। প্ৰয়োজনত দলৰ বলৰ জৰিয়তেও সহায় কৰিছিল স্মিথে। লেগস্পিন অলৰাউণ্ডাৰ হিচাপে আত্মপ্ৰকাশ কৰাৰ পিছত, তেওঁ ২৮ টা উইকেটো দখল কৰে আৰু ৯০ টা কেচ ধৰিছে। ক্ৰিকেট অষ্ট্ৰেলিয়াৰ এক সংবাদ মাধ্যমৰ বিজ্ঞপ্তি অনুসৰি ছেমিফাইনেলত পৰাজয়ৰ পিছতে স্মিথে তেওঁৰ দলৰ সতীৰ্থসকলক কৈছিল যে তেওঁ এদিনীয়া ক্ৰিকেটৰ পৰা অৱসৰ ল'ব। অৱশ্যে স্মিথে টেষ্ট আৰু টি-২০ৰ পৰা এতিয়াও অৱসৰ লোৱা নাই।

# মাত্ৰ ২৫% পৰিশোধ

লগে লগে বৃদ্ধি পাই থাকে। তদুপৰি কৰ-কাটল নিদিয়াকৈ থাকিলে তাৰ বিপৰীতে বিলম্ব জৰিমনাও বাঢ়ি থাকে। ফলত এসময়ত কৰ-কাটল আৰু বিলম্ব জৰিমনা পৰিশোধ কৰিব নোৱাৰা অৱস্থা হয়গৈ। তদুপৰি সুৰক্ষিত যাতায়াতৰ বাবেও সময়মতে কৰ পৰিশোধ কৰি বাহনৰ নথিপত্ৰসমূহ সঠিক কৰি ৰখাটো বাঞ্ছনীয়। অন্যথা এনে বাহন ক'ৰবাত দুৰ্ঘটনাত পতিত হ'বলগীয়া হ'লে তৃতীয় পক্ষৰ যদি কিবা ক্ষতি হয় তেন্তে চৰকাৰ বা বীমা কোম্পানীৰ পৰা কোনোধৰণৰ ক্ষতিপূৰণ নাপব। সেয়ে সুৰক্ষিত যাতায়াত আৰু অসমক এখন যান-বাহন প্ৰদূষণমুক্ত ৰাজ্য হিচাপে গঢ়ি তোলাৰ স্বাৰ্থত চলাচলৰ অনুপযোগী বাহনৰ পঞ্জীয়ন বাতিলৰ কাৰণে শীঘ্ৰে পৰিবহণ বিষয়াৰ কাৰ্যালয়ৰ পঞ্জীয়ন বিভাগত আবেদন কৰক। এই আহ্বান পৰিবহণ বিভাগৰ বিশেষ কৰ্তব্যৰত বিষয়া গৌতম দাসৰ। উল্লেখ্য যে পঞ্জীয়ন বাতিলৰ কাৰণেই চৰকাৰে বৰ্তমান সময়ত বাহনৰ বকেয়া কৰৰ ৭৫ শতাংশলৈকে ৰেহাই দিছে অৰ্থাৎ মাত্ৰ ২৫ শতাংশ কৰ পৰিশোধ কৰিলেই বাহনখনৰ পঞ্জীয়ন পত্ৰ বাতিল হ'ব। তদুপৰি গৰাকীয়ে তেওঁৰ বাহনৰ পঞ্জীয়ন বাতিলৰ প্ৰমাণপত্ৰখন পঞ্জীয়নভুক্ত বাহন স্ক্ৰেপিং কেন্দ্ৰত জমা দি স্ক্ৰেপৰ বাবে আবেদন জনালে সেই বাহনৰ বিপৰীতে তেওঁ এখন জমাকৰণৰ প্ৰমাণপত্ৰ লাভ কৰিব। বাহন স্ক্ৰেপিঙৰ পিছত সেই প্ৰমাণপত্ৰৰ জৰিয়তে তেওঁ নতুন বাহন ক্ৰয় কৰিলে ব্যক্তিগত বাহনৰ ক্ষেত্ৰত আগন্তুক ১৫ বছৰলৈ ২৫ শতাংশ কৰ ৰেহাই আৰু বাণিজ্যিক বাহনৰ ক্ষেত্ৰত আগন্তুক ৮ বছৰলৈ ১৫ শতাংশ কৰ ৰেহাই লাভ কৰিব। তদুপৰি স্ক্ৰেপিঙৰ আগত বাহনখন পৰি থকা ঠাইডোখৰৰ প্ৰাকৃতিক সৌন্দৰ্য বৃদ্ধিৰ লগতে মাটিৰ উৰ্বৰা শক্তিও বৃদ্ধি পাব। ইয়াৰ উদ্দেশ্যই হৈছে চলাচলৰ বাবে অনুপযোগী বাহনসমূহ পথৰ পৰা নাইকিয়া কৰি প্ৰাকৃতিক ভাৰসাম্যতা তথা পাৰিপাৰ্শ্বিকতা ৰক্ষা কৰি অসমক যান-বাহন প্ৰদূষণমুক্ত তথা সেউজ ৰাজ্য হিচাপে গঢ়ি তোলা। সকলো শ্ৰেণীৰ যান-বাহনৰ গৰাকীৰ সুবিধা হোৱাকৈ এই এককালীন নিষ্পত্তি প্ৰক্ৰিয়াৰ সময়সীমা চলিত বৰ্ষৰ ৩১ মাৰ্চলৈকে থাকিব। সেয়েহে অসম চৰকাৰৰ পৰিবহণ বিভাগৰ উচ্চপদস্থ বিষয়াগৰাকীয়ে গুৰুত্বপূৰ্ণ ৰাজহুৱা স্থান অথবা পথৰ কাষত বিশৃংখলভাৱে পেলাই থোৱা চলাচলৰ অনুপযোগী তথা পৰিৱেশৰ অনিষ্টকাৰী বাহনসমূহৰ পঞ্জীয়ন বাতিল কৰি পৰ্যায়ক্ৰমে সেইসমূহ নিৰ্মূল কৰি অনুকূল পৰিৱেশ গঢ়ি তুলিবলৈ বাহনৰ গৰাকীৰ প্ৰতি অনুৰোধ জনাইছে। এই বিশেষ সুবিধা গ্ৰহণ কৰি অহা ৩১ মাৰ্চৰ ভিতৰত বাহনৰ সকলো নথিপত্ৰ সঠিক কৰাৰ লগতে সুৰক্ষিত যাতায়াতৰ অংশীদাৰ হ'বলৈ তেওঁ সকলো শ্ৰেণীৰ বাহনৰ গৰাকীলৈ সবিনয়ে আহ্বান জনাইছে।

# ছেৰফাংগুৰিত বিজেপিৰ

গেৰাণ্টী বিজেপিৰ। সেয়ে বিজিপিক শক্তিশালী কৰিলে বিটিচিৰ শান্তি ধৰি ৰাখিব পাৰিব বুলি সদৰী কৰি সকলোকে দলে-বলে বিজেপি দলত যোগদানৰে দলটোক শক্তিশালী কৰাৰ আহ্বান জনায় মন্ত্ৰী সিংহলে। এই যোগদান সভাত কোকৰাঝাৰ জিলা বিজেপিৰ প্ৰভাৰী হৰেন দেউৰীয়ে বিটিচি অঞ্চলৰ শান্তি আৰু উন্নয়নৰ স্বাৰ্থত সকলোকে বিজেপিত যোগদানৰ আহ্বান জনায়। আনহাতে, সভাত উপস্থিত থকা বিটিচিৰ পাৰিষদ ৰেওৱেৰা নাৰ্জিহাৰীয়েও বিজেপি দলক ৰাইজক সেৱা কৰা দল বুলি আখ্যা দিয়ে। বিটিচিৰ আন এগৰাকী কাৰ্যবাহী সদস্য ৰাজীৱ কুমাৰ ব্ৰহ্মই বিটিচিত বিজেপি চৰকাৰ হ'লে গাঁৱে-ভূঁএঃ হিচাপবিহীন উন্নয়ন হ'ব বুলি মন্তব্য কৰে। একেদৰে বিটিচিৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দৈই মনোৰঞ্জন ব্ৰহ্মৰ যোগদানে আগন্তুক দোতমা মণ্ডল বিজেপিক অধিক শক্তিশালী কৰিব বুলি আশা ব্যক্ত কৰে। কোকৰাঝাৰ জিলা বিজেপিৰ সভাপতি গোসাঁই বসুমতাৰীয়ে দোতমা মণ্ডলত বিজেপিৰ অনুষ্ঠিত বিশাল জনসমাগমে আগন্তুক দিনত বিটিচিত পদুম ফুল ফুলিব বুলি মন্তব্য কৰে। ইপিনে বিজেপিত যোগদান কৰি সমাজকৰ্মী মনোৰঞ্জন ব্ৰহ্মই নিজকে। বিজেপিত যোগদান কৰাৰ সুবিধা পাই নিজকে আনন্দিত হোৱা অনুভৱ ব্যক্ত কৰি তেওঁ বিজেপিৰ নীতি আদৰ্শলৈ কাম কৰি যাব বুলি সদৰী কৰিছে। এই যোগদান কাৰ্যসূচীত বিটিআৰ ইএম সজল সিংহ, এমচিএলএ বিজিত গৌৰা নাৰ্জাৰীকে ধৰি আন কেইবাগৰাকী নেতা উপস্থিত থাকি ভাষণ আগবঢ়ায়।

# ডুবাইত আজি চেম্পিয়নছ

আছে। ইফালে পেচ বলিঙৰ দায়িত্বত থাকিব মহম্মদ ছামী আৰু অৰ্শদীপ সিং। প্ৰতিযোগিতাখনত অপৰাজেয় হৈ থকা টীম ইণ্ডিয়াই গ্ৰুপ পৰ্যায়ৰ মেচত নিউজিলেণ্ডক পৰাস্ত কৰিছিল। আজি খিতাপ যুঁজৰ মেচখনত বিজয় সাব্যস্ত কৰি প্ৰতিযোগিতাখনত অপৰাজেয় হৈ অভিযান সামৰাৰ লক্ষ্য লৈছে ভাৰতীয় দলটোৱে। ফাইনেল মেচখনত বৰুণ চক্ৰৱৰ্তী ভাৰতীয় দলটোৰ মূল অস্ত্ৰ হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। কাৰণ প্ৰতিযোগিতাখনৰ দুখন মেচত অংশ লৈ যাদুকৰী স্পিনেৰে বিপক্ষ দলৰ ত্ৰাসৰ কাৰণ হৈ পৰিছিল। উল্লেখ্য যে নিউজিলেণ্ডে ২০০০ চনত চেম্পিয়নছ ট্ৰফীৰ খিতাপ জয় কৰাৰ বিপৰীতে টীম ইণ্ডিয়াই ২০০২ চনত শ্ৰীলংকাৰে যুটীয়াভাৱে চেম্পিয়ন হোৱাৰ লগতে ২০১৩ চনতো প্ৰতিযোগিতাখনৰ খিতাপ জয় কৰিছিল।

# জাগীৰোডৰ ছেমিকণ্ডাক্টৰ

নিৰ্মাণ কৰিলেই নহ'ব, ৰাষ্ট্ৰীয় সুৰক্ষাজনিত প্ৰমাণপত্ৰৰো প্ৰয়োজন হ'ব। আনহাতে কেবিনেটে ছেমিকণ্ডাক্টৰ প্ৰকল্পস্থলীক ৰটন টাটা নামেৰে নামকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে। অসমৰ উন্নয়নৰ দিশত প্ৰয়াত ৰটন টাটা আৰু টাটা গ্ৰুপৰ অতুল্য ভূমিকা আৰু অৱদানৰ স্বীকৃতি হিচাপে ৰাজ্যিক কেবিনেটে জাগীৰোডত ইলেক্ট্ৰ'নিক চিটীৰ নাম ৰটন টাটা ইলেক্ট্ৰ'নিক চিটী, জাগীৰোড হিচাপে ৰখাৰ সিদ্ধান্ত লয়। কেবিনেটে লোকনিৰ্মাণ বিভাগ আৰু জলসম্পদ বিভাগত নতুনকৈ উত্তীৰ্ণ হোৱা অভিযন্তাসকলে ঠিকা কৰাৰ ক্ষেত্ৰতো গ্ৰহণ কৰে এলানি সিদ্ধান্ত। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই সন্দৰ্ভত কয় যে লোকনিৰ্মাণ বিভাগত ঠিকাৰ নিবিদাত অংশগ্ৰহণৰ বাবে যি নিয়মাৱলী তথা চৰ্ত নিৰ্ধাৰণ কৰা আছে, তেনে চৰ্ত-নিয়মাৱলী অভিযন্তা অথবা পলিটেকনিক উত্তীৰ্ণ প্ৰাৰ্থীয়ে ঠিকা কৰিব বিচাৰিলে শিথিল কৰা হ'ব। কেবিনেটে এই অভিযন্তা তথা ডিপ্ল'মা হ'ল্ডাৰসকলক ঠিকাৰ ক্ষেত্ৰত কিছু শিথিলতা দিয়াৰ সিদ্ধান্ত লয়। কোনো অভিযন্তা উত্তীৰ্ণ তথা ডিপ্ল'মা হ'ল্ডাৰে যদি ঠিকা কৰিব বিচাৰে, তেন্তে ৫ বছৰলৈ এই চৰ্তাৱলী শিথিল কৰা হ'ব। এতিয়াৰে পৰা তেওঁলোকৰ ওচৰত নিৰ্মাণত জড়িত বৃহৎ যন্ত্ৰপাতি নাথাকিলেও আনৰ সহায়েৰে ঠিকাৰ কাম কৰাৰ ক্ষেত্ৰত শিথিলতা দিয়া হৈছে। মুখ্যতঃ লোকনিৰ্মাণ আৰু জলসম্পদ বিভাগত থলুৱা ঠিকাদাৰ সৃষ্টি কৰাৰ বাবে কেবিনেটে এই সিদ্ধান্ত গ্ৰহণ কৰে। কেবিনেটে ৰাজ্যত ১০টা স্কিল চেণ্টাৰ স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰে। ৯০ কোটি টকা ব্যয় সাপেক্ষে হ'বলগা এই স্কিল চেণ্টাৰসমূহ স্থাপনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰক সহযোগ কৰিব পেন-আইআইটি এলুমিনি এছ'চিয়েচনে। মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰা অনুসৰি যথেষ্ট সুখ্যাতিৰে আইআইটিৰ পৰা উত্তীৰ্ণ বহু ৰাজ্যৰ ছাত্ৰই বিভিন্ন স্থানত ভাল কাম কৰি আছে। তেওঁলোকে গঠন কৰা এই পেন-আইআইটি এলুমিনি এছ'চিয়েচনৰ লগত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে সহযোগিতা আগবঢ়াই ৰাজ্যত ১০খন স্কিল চেণ্টাৰ নিৰ্মাণৰ সিদ্ধান্ত লয় কেবিনেটে। এই গোটেই স্কিল চেণ্টাৰ নিৰ্মাণত ব্যয় হ'বলগা ৯০ কোটি টকাৰ ১০ কোটি ৰাজ্য চৰকাৰে ব্যয় কৰাৰ বিপৰীতে বাকী ৮০ কোটি টকা পেন-আইআইটি এলুমিনি এছ'চিয়েচনে ব্যয় কৰিব। ৰাজ্যিক কেবিনেটে বাঁহ অৰ্থনীতি প্ৰসাৰৰ বাবে তথা বাঁহ উদ্যোগক শক্তিশালী কৰিবলৈ গ্ৰহণ কৰিলে আন এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত। মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰা অনুসৰি অসমত নিৰ্মাণকাৰ্যত লোকনিৰ্মাণ বিভাগক বাধ্যতামূলকভাৱে ৫ শতাংশ বাঁহ ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। বিশেষকৈ নিৰ্মীয়মাণ ভৱনৰ মজিয়া, দুৱাৰ-খিৰিকী বাঁহেৰে নিৰ্মাণ কৰাৰ বাবে কেবিনেটে নিৰ্দেশনা প্ৰেৰণ কৰে। কেবিনেটে ভৱন নিৰ্মাণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ ক্ষেত্ৰতো লোকনিৰ্মাণ বিভাগত নিৰিখ অনুযায়ী ইঞ্জিনীয়াৰড বাঁহ সংযুক্ত সামগ্ৰী অন্তৰ্ভুক্ত কৰাত অনুমোদন জনায়। কেবিনেটে এডভাণ্টেজ আছাম ২.০ৰ সন্মিলন সফলতাৰে আয়োজন কৰাৰ ক্ষেত্ৰত অসমলৈ আগবঢ়োৱা সমৰ্থন আৰু নিৰ্দেশনাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰি এক প্ৰস্তাৱ গৃহীত কৰে। আনহাতে কেবিনেটে বান আৰু খহনীয়া নিয়ন্ত্ৰণৰ বাবে ৩৩৮ কোটি টকা ব্যয় সাপেক্ষে ৪৬টা বান আৰু খহনীয়া ব্যৱস্থাপনা প্ৰকল্পৰ অনুমোদন জনায়। কেবিনেটে অসমক ঔদ্যোগিক গন্তব্য স্থান হিচাপে প্ৰতিষ্ঠাৰ লক্ষ্যৰে গ্ৰহণ কৰিলে দুটাকৈ নীতি। ইয়াৰে প্ৰথমটো হ'ল আছাম ইলেক্ট্ৰ'নিকছ ছিষ্টেম ডিজাইন এণ্ড মেনুফেকচাৰিং পলিচী ২০২৫ আৰু আছাম ফাৰ্মাচিউটিকেল এণ্ড মেডিকেল ডিভাইচ পলিচী ২০২৫। কেবিনেটে দুখন ব্যক্তিগত বিশ্ববিদ্যালয় স্থাপনতো অনুমোদন জনায়। এই দুখন হ'ল তিনিচুকীয়াৰ এডকেট দক্ষতা বিশ্ববিদ্যালয় আৰু মা কামাখ্যা ৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়, অসম।

# কয়লা ব্যৱসায়ী শুভম

জেৰাত কয়লা মাফিয়া শুভম জৈন আৰু মেনেজাৰ প্ৰবীণ ঝাই উত্তৰ-পূৰ্বাঞ্চলৰ কয়লা অবৈধভাৱে সৰবৰাহৰ কেইবাটাও বিস্ফোৰক তথ্য তদন্তকাৰী বিষয়াৰ আগত প্ৰকাশ কৰিছে। বিশেষ সূত্ৰৰ পৰা জানিব পৰা মতে, সমগ্ৰ নেটৱৰ্কটো পৰিচালনা কৰিছিল সন্দীপ জৈন নামৰ এজন কয়লা মাফিয়াই। তাত সহযোগ কৰিছিল শুভম জৈন আৰু প্ৰিন্স জৈনে। উল্লেখ্য যে একেটা পৰিয়ালৰে সদস্য তিনিওজন মাফিয়াৰ ভিতৰত শুভম জৈনক গ্ৰেপ্তাৰ কৰা হ'ল যদিও এতিয়ালৈ পলাতক হৈ আছে আন দুজন সদস্য। ধৃত শুভম জৈনৰ মেনেজাৰ প্ৰবীণ ঝাই জেৰাত স্বীকাৰ কৰা অনুসৰি অসমৰ লগতে মেঘালয়, অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডত পঞ্জীয়ন কৰা ৫০খনতকৈও অধিক ফাৰ্মৰ নামত বিভিন্ন সময়ত অবৈধ কয়লা সৰবৰাহ কৰা হৈছিল। ইয়াৰ ভিতৰত তেওঁলোকৰ নিজৰ কয়লা ট্ৰাকো আছিল যদিও অধিকাংশই আন কয়লা ব্যৱসায়ীৰ ট্ৰাক আছিল। চক্ৰটোৰ মূল অভিযুক্ত তথা পলাতক সন্দীপ জৈনে কোনখন ট্ৰাক কেতিয়া কোন সময়ত বাহিৰলৈ যাব সেয়া নিৰ্ধাৰণ কৰিছিল। ধৃত শুভম জৈনে পাৰ্টীৰ সৈতে কথা-বতৰা পাতি দৰ-দাম নিৰ্ধাৰণ কৰিছিল। তেওঁলোকৰ মালিকানাধীন ফাৰ্মৰ নামত যদিহে কোনো কয়লা ব্যৱসায়ীয়ে ট্ৰাক প্ৰেৰণ কৰিব বিচাৰে, তেতিয়াহ'লে প্ৰতিখন ট্ৰাকৰ জিএছটি চালানৰ নামত সংগ্ৰহ কৰা হৈছিল প্ৰায় ৭০ হাজাৰ টকা। ধন আদায় দিয়া পাৰ্টীক চক্ৰটোৰ নিজৰ নামত থকা ফাৰ্মৰ জিএছটি চালানৰ অধীনত কয়লা অবৈধভাৱে সৰবৰাহ কৰিবলৈ সকলো সুবিধা কৰি দিছিল সন্দীপ জৈনে। এনেদৰে প্ৰতিদিনে কেইবাশ কয়লা ট্ৰাক অসমৰ গুৱাহাটীৰ পৰা পশ্চিমবংগ, বিহাৰ, উত্তৰ প্ৰদেশ আদিলৈ প্ৰেৰণ কৰা হৈছিল। অকল জিএছটি চালানৰ নামতেই নহয়, ৰাজ্যভেদে কয়লা সৰবৰাহৰ দামো ভিন্ন আছিল। অৱশ্যে সেয়া দাম নাছিল, সেয়া আছিল তেওঁলোকৰ গুণ্ডা টেক্স। পশ্চিমবংগ, বিহাৰ, উত্তৰ প্ৰদেশ আদি ৰাজ্যলৈ কয়লা প্ৰেৰণৰ নামত জিএছটি চালানৰ বাদেও এক লাখৰো অধিক ধন অতিৰিক্তভাৱে প্ৰতিখন ট্ৰাকে চক্ৰটোক আদায় দিবলগীয়া হৈছিল। এনেদৰে এটা বছৰতে প্ৰায় এহেজাৰ কোটি টকা চক্ৰটোৱে অবৈধ সৰবৰাহৰ পৰাই আদায় কৰিছিল। অৱশ্যে ধন আদায় কৰিলেও চৰকাৰক জিএছটি সময়ত আদায় দিয়া নাছিল। যাৰ বাবে ৰাজকোষে বহু কোটি টকা হেৰুৱাবলগীয়া হৈছিল। তদন্তকাৰী বিষয়াৰ জেৰাত কয়লা মাফিয়া দুজনে মধ্য অসমৰ এজন ৰাজনীতিকৰ নামো উল্লেখ কৰিছে। অৱশ্যে তদন্তৰ খাতিৰত চিজিএছটিয়ে বৰ্তমানলৈ উক্ত ৰাজনীতিকজনৰ নাম সদৰী কৰা নাই। চিজিএছটিয়ে ধৃত দুয়োজন অভিযুক্তক পুনৰ আদালতত হাজিৰ কৰে। দুয়োজনকে জিম্মাত বিচৰা হৈছিল যদিও আদালতে কাৰাগাৰলৈ প্ৰেৰণ কৰে।

ENGLISH NEWS SECTION

# Red Fest 2025: North East united for a Musical Extravaganza on HIV/AIDS Awareness



Guwahati,RB News- National AIDS Control Organisation (NACO), in collaboration with Assam State AIDS Control Society(ASACS), successfully hosted Red Fest 2025 (North-east Multimedia Campaign) at the Srimanta Sankardeva International Auditorium, Kalakshetra,Guwahati in Assam on March 7, 2025. The event, aimed at raising awareness on HIV/AIDS through music and culture, drew an enthusiastic crowd of over 1,200 attendees. The festival was inaugurated Shri Ashok Singhal, Hon'ble Minister of Health & Family Welfare, Assam in presence of Ms. V. Hekali Zhimomi, Additional Secretary & Director General, NACO, MoHFW and Dr P Ashok Babu, Commissioner & Secretary to the Government of Assam, Health & Family Welfare and alongside other dignitaries. Speaking on the occasion, the Hon'ble Minister said "I am happy to note that every year NACO in collaboration with the State AIDS Control Societies organizes the North East Multi Media campaign that is aimed at involving the youth to spread awareness, compassion, education and support for the issue of HIV and AIDS in the region," He further appealed to the youth to refrain from high risk behaviour like unprotected sex and injecting drug use.

## Governor congratulates winners of Sahitya Akademi Prize for Translation 2024



Guwahati, RB News- Assam Governor Shri Lakshman Prasad Acharya congratulated the Sahitya Academy Awardees Anjan Sharma (Assamese), Basudeb Das (Bengali), and Uttara Bwiswmuthiary (Bodo) on being conferred with the prestigious awards for the year 2024. In a statement, Shri Acharya said, "Their remarkable work in the arena of literature not only bridges linguistic boundaries but also enriches our cultural and intellectual heritage. May their contributions continue to inspire generations and their achievements soar to even greater heights in the years to come." He also said that their achievements have brought laurels to the state which will definitely an inspiration to the posterity.

## Harmanpreet Kaur fined for breaching WPL Code of Conduct



RB News-Mumbai Indians captain Harmanpreet Kaur was on Thursday fined 10% of match fees for violating WPL Code of Conduct during their team's match against UP Warriorz (UPW) in Lucknow.The incident occurred during UPW innings when umpire informed Kaur only three fielders could be outside circle in final over due to slow over rate. Kaur showed dissent at umpire's decision.

## Allahbadia questioned by Assam Police in vulgar remarks case



RB News- YouTuber Ranveer Allahbadia reached the Crime Branch office in Assam's Guwahati on Friday to record his statement in connection with India's Got Latent controversy. Assam Police had filed a case against him and others in February for allegedly promoting obscenity and vulgarity in the show. Fresh summons were sent to Allahbadia as he did not appear before police last month.

## India's Pranav Venkatesh becomes world junior chess champion



RB News- India's 18-year-old Grandmaster Pranav Venkatesh has become the world junior chess champion. Pranav won the World Junior Chess Championship 2025, which was held in Petrovac, Montenegro. He won the tournament with a score of 9 out of a possible 11 points. Pranav is the seventh world junior chess champion from India.

## Governor attends 3rd convocation of Cotton University

Guwahati, RB News- Assam Governor Shri Lakshman Prasad Acharya said that India is on the cusp of a transformative journey where the students who are the Amrit Santan of the nation should focus on the knowledge cutting edge technology, research and innovation to facilitate seamless transition of the country to Viksit Bharat.Addressing the graduates on the 3rd convocation of the Cotton University here today, the Governor advised the students that in the Amrit Kaal the students must be armed with research, innovation and act as powerful facilitators to make the country truly developed. He also asked them to be focused to keep their culture, civilization and values alive. They should also preserve and nurture their diversity and at the same time embrace modern technology in shaping the future of the nation. He said, "In the coming times, it is you who will shoulder the responsibility of the country".The Governor expressed immense pride in Cotton University's recent achievement of attaining 'A' grade in the NAAC evaluation and commended the institution for its continuous efforts to evolve and adapt to the changing academic landscape. He praised the university's focus on offering research-oriented and skill-based courses, including initiatives in climate science, performing arts, and coaching programs for NET and JRF.



# কিশোৰ সাহিত্য আৰু অসমীয়া সাহিত্যত কিশোৰ

মহৎ সাধনাত নিমগ্ন হয়; কেতিয়াবা আকৌ বেপৰোৱা আৱেগৰ উন্মাদনা অনুভৱ কৰি আওবাটেৰে গতি কৰে; কেতিয়াবা সামান্য মানসিক আঘাততে হতাশ-বিমৰ্ষ হৈ অকলশৰীয়া অনুভৱ কৰে ইত্যাদি।

এজন কিশোৰৰ এনে আচৰণসমূহৰ আঁৰত তেওঁৰ দ্ৰুত দৈহিক পৰিৱৰ্তনেই ক্ৰিয়া কৰে বুলি মনোবিজ্ঞানীসকলে ক'ব খোজে। এই বয়সত তেওঁৰ যৌনাংগসমূহৰ বিকাশ ঘটাৰ সমান্তৰালভাৱে তেওঁ তীব্ৰ যৌন আবেগো অনুভৱ কৰে। কিশোৰ এজনে নিজৰ দৈহিক পৰিৱৰ্তনসমূহ মনোযোগেৰে লক্ষ্য কৰি বিস্ময়াভিভূত হৈ পৰে আৰু সেই বিস্ময়েই তেওঁৰ মনৰ মাজত বিচিত্ৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। লক্ষণীয় যে কৈশোৰত উদ্ভৱ হোৱা যৌন বাসনা অথবা তাৰ পৰিতৃপ্তিৰ আকাংক্ষা সকলোৰে ক্ষেত্ৰতে সমান নহয়। যৌন আকাংক্ষাৰ লিংগগত প্ৰভেদ থকাৰ উপৰি ব্যক্তিভেদে কিশোৰ-কিশোৰীৰ যৌনতাৰ বোধ ভিন্নভাৱে প্ৰকাশিত হয়।

মানুহে শৈশৱত অভিভাৱকৰ আশ্ৰয়ত নিশ্চিত আৰু সন্তুষ্ট হৈ থাকিলেও কৈশোৰত তেনে নিশ্চয়তা আৰু সন্তুষ্টি লাভ নকৰে। নকৰাৰ কাৰণ হ'ল, সেই বয়সত তেওঁৰ মনৰ ভিতৰত ব্যক্তিত্বৰ বিকাশ ঘটি থাকে। ব্যক্তিত্বৰ বিকাশ অবাধ আৰু সুষম হ'লে কিশোৰ এজন স্বাভাৱিক প্ৰাণশক্তিৰ অধিকাৰী হয় আৰু আপোন অস্তিত্বৰ উপলব্ধিৰে এক স্বকীয় আনন্দ লাভ কৰে। তেনে কিশোৰে আত্মকেন্দ্ৰিকতাৰ পৰিধি ভাঙি বিশাল সামাজিক জীৱনৰ সৈতে সংযোগ স্থাপন কৰিবলৈ আগ্ৰহী হয়। অন্যহাতে, এজন কিশোৰৰ ব্যক্তিত্বৰ বিকাশ কোনো পাৰিবাৰিক বা পাৰিপাৰ্শ্বিক কাৰণত স্বাভাৱিক গতিত নহ'লে তেওঁ বিভিন্ন মনস্তাত্ত্বিক সংকটৰ সন্মুখীন হোৱাটো অৱধাৰিত হৈ পৰে। বহু কিশোৰেই কেতিয়াবা বাস্তৱ আৰু কেতিয়াবা কাল্পনিক অবজ্ঞাৰ বোধত পীড়িত হৈ বহু সময়ত পৰিয়াল-পৰিজনৰ মাজত থাকিও অকলশৰীয়া অনুভৱ কৰে। সেই একাকীত্বই কিশোৰৰ মনত জন্ম দিব পাৰে তুমুল জেদ আৰু অভিমান। কৈশোৰৰ এনে মানসিকতাক ধৈৰ্য আৰু সহৃদয়তাৰে বুজিব নোৱাৰিলে অনেক সময়ত বিপৰ্যয়ৰ আশংকাই দেখা দিব পাৰে। অৱশ্যে, প্ৰাথমিক কিশোৰৰ বহু অস্বাভাৱিক প্ৰতিক্ৰিয়া প্ৰান্তীয় কিশোৰ কালত নিজে নিজেই কমি অহা দেখা যায়।

সি যি হওক, মানৱ জীৱনৰ এই বিশেষ বয়সৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া বা উদ্ভিন্ন চেতনাক যথাযথভাৱে বৰ্ণনা কৰি ৰচিত সাহিত্যই অৰ্থত কিশোৰ মনৰ উপযোগীকৈ লিখা সাহিত্যই কিশোৰ-সাহিত্য।

**আগলৈ....**




ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড° উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286